
নদীয়ে সাগৰক কৰ দিয়ে—The river pays its tribute to the sea.

প্ৰজাই বছৰি ৰজাক মাটিৰ কৰ দিব লাগে—The subject has got to pay revenue to the king annually.

তাৰ সোঁহাতৰ তলুৱাত এটা কৰ আছে—There is a corn on his right palm.

লিখোঁতে লিখোঁতে তাৰ হাতৰ কৰ ফুটিছে—Corns have been formed on his hand for constant writing.

কথা

কবলৈ গলে বহুত কথা—It will make a long story to tell.

এইটো সুন্দৰ কথা—This is a fine idea.

সেয়ে হৈছে কথা—That is the question.

কথাটো এই—The thing is this.

তাৰ কথাত নধৰিবা—Do not take his word to heart.

তোমালোকে মোৰ কথা শুনিবা—You will listen to my words.

কথা ৰাখিব নোৱাৰিলে, কথা নিদিবা—Don't give your word if you cannot keep it.

সেই বিষয়ে তেওঁৰ লগত মোৰ কথা হৈছিল—I had a talk with him about this matter.

মোৰ লগত তেওঁ কথা নাপাতে—He is not on speaking terms with me.

তেওঁ পাছ নোহোৱাৰ কথাই নাই—There is no doubt that he will pass.

তেওঁ আজি কালিলৈতে অহাৰ কথা আছে—He is expected to come in a day or two.

তেওঁৰ কোনো কথাই নাই—He will never raise any objection.

সিদিনাৰ কথাৰ কি হ'ল—What about the matter of that day ?

কাল

কালে কাকো নেৰে—Death does not spare anybody.

একালত তেওঁ এই গাঁৱৰ ভিতৰত সকলোতকৈ প্ৰতাপী মানুহ আছিল—Time was, when he was the most influential person of this village.

ইমান সোনকালে তেওঁৰ কাল হব বুলি কোনে জানিছিল—Who thought that he would die so soon.

কালত এই ল'ৰাটোৱেই সকলোখিনি সম্পত্তিৰ অধিকাৰী হব—In course of time this boy will be the owner of this whole property.

বসন্তকালৰ আৰম্ভণত কুলি আহে—The cuckoo appears at the advent of the spring season.

গা

গা ভালেই মন ভাল—There is sound mind in a sound body.

কালি ৰাতি ফুলমতীয়ে গা এৰিছে—Phulmati delivered a child last night.

মোৰ অৱস্থা লাহে লাহে বেয়া হোৱা শুনি তেওঁ গা এৰা দিলে—He deserted me as I had been gradually reduced to straightened circumstances.

গছৰ গাভোখৰ বৰ পোন—The trunk of the tree is very straight.

বেমাৰত পৰাৰপৰা ল'ৰাটোৱে গা ধৰিব পৰা নাই—The boy has not been able to improve his health since his illness.

গোটেই দিন গা ঘেলাই ফুৰিলে পৰীক্ষা পাছ কৰিবা কেনেকৈ ?—How will you pass the examination if you loiter about the whole day ?

নৰিয়াৰ পিছত সি গা টঙাব পৰা নাই—He has not been able to regain strength after illness.

পাই এটা খৰচ কৰিবলৈও তেওঁৰ গা টেঙায়—He feels pain to spend even a farthing.

আমি শত্ৰুৰ মাজত আছোঁ, গা চাই ফুৰা উচিত—We are in the midst of enemy, we should be careful.

চকু

মই তাৰ ওপৰত সদায় চকু ৰাখোঁ—I always keep an eye upon him.

সৌ গোলাপ ফুলটি কেনে সুন্দৰ! চালেই চকু ৰয়—How beautiful is that rose ! it is difficult to withdraw eyes from it.

তুমি পঠিওৱা নমুনা মোৰ চকুত নালাগিল—The sample you sent did not stand my taste.

ছোৱালীজনী দিনে দিনে চকুত লগা হৈ আহিছে—The girl is becoming fairer day by day.

তেওঁ ইয়াত ৰবকৈ চকু দিছে—He has looked upon this eagerly.

মোৰ আঙঠিটোত তেওঁৰ চকু পৰিছে—He has set fascination on my ring.

লোকৰ সুখত আমাৰ চকু পোৰা উচিত নহয়—We should not be envious of other's prosperity.

চাউল

হাতৰ কাম কৰি তেওঁ চাউল মোকোলায়—He earns his livelihood by manual labour.

কামৰপৰা বৰখাস্ত কৰি তেওঁৰ চাউল মাৰিলে—By the dismissal from service he was deprived of the means of his living.

বুঢ়া মানুহটোৰ চাউল টুটি আহিছে—The days of the old man are being numbered.

পঁচিশ বছৰীয়া ডেকা বয়সত তেওঁৰ চাউল ঢুকাল—He died at the premature age of twentyfive.

স্থানীয় বজাৰত চাউলৰ দৰ কিমান ?—What is the price of rice in the local market ?

তত্ (sense)

অলপ তত্ লোৱা সকলো জানিবা—Wait a little, You will know everything.

মানুহে ততৰে কাম কৰিব লাগে—Man should act with conscience.

উৎকট বিষৰপৰা তেওঁ এতিয়া অলপ তত্ পাইছে—Now he has felt a little relieved of the acute pain.

তাৰ কথাৰ কিবা তত্ পাইছা নে ?—Have you been able to understand anything of what he says ?

তেওঁ কথাটো উলিয়াব ধৰিছিল, মই হে তত্ নকৰিলোঁ—He was going to mention the thing, but I did not perceive.

আকাশত সেই তৰাটো তত্ কৰিব পাৰিছা নে ?—Have you been able to discern that star on the sky ?

ৰোগী ইমান পৰ বিতত্ হৈয়ে আছিল, এতিয়া তত পাইছে—The patient had been senseless so long, he has now come to his senses.

এই কথা শুনামাত্রকে তেওঁৰ তত্ হেৰাল—No sooner did he hear this than he lost his patience.

জ্বৰ ইমান বেছি যে তেওঁৰ গাত তত্ নাই—Fever is so high that he is not in sense.

নিয়ম

ৰাতিপুৱা পাঁচ বজাত উঠা তেওঁৰ নিয়ম—He is in the habit of rising at five in the morning.

এইটো আমাৰ সমাজৰ নিয়ম—This is a custom of our society.

ব্যাকৰণৰ এই নিয়মবোৰ তোমালোকে মুখস্থ কৰিব লাগিব—You will have to get by heart these rules of grammar.

স্বাস্থ্যৰক্ষাৰ নিয়মবোৰ ছাত্রক শিকাব লাগে—The student should be taught the principles of preservation of health.

নিয়মত থাকি মানুহে জীৱন দীঘল কৰিব পাৰে—Man can prolong his life by being regular.

প্ৰকৃতিৰ নিয়ম মানৱ সমাজৰ নিয়মেৰে একে নহয়—The laws of natuie are not the same with the uses of human society.

মুখ

সেই কথা শুনি তেওঁৰ মুখ বন্ধ হ'ল—Hearing that he could not speak.

বিচাৰকে উকীলৰ মুখ মাৰি থলে—The judge made the pleader silent.

চুৰিখনৰ মুখ বৰ চোকা—The blade of the knife is very sharp.

তেওঁ মানুহৰ মুখ এৰিব নোৱাৰিছিল—He could not disappoint a person.

সেই কাজিয়াত তেওঁ মুখ যুঁজাব নালাগিছিল—He ought not to have taken part in the quarrel.

নদীৰ মুখ সাগৰত—The mouth of a river is in the sea.

মোক দেখি তেওঁ পূবলৈ মুখ কৰিলে—Seeing me he turned his face to the east,

হাত

এই কামটো তেওঁৰ হাতত—This work is at his disposal.

তেওঁ কীৰ্তিকো হাত কৰিলে—He has won over Kırti also.

সেই কামটো দিয়াত মোৰ হাত নাছিল—I had no hand in making that appointment.

তেওঁ হাত উজান নিদিয়াহেঁতেন মই কাম কৰিব নোৱাৰিলোহেঁতেন—I could not have done it but for his assistance.

কবিৰাজে ৰোগীৰ হাত চাই দেখিলে নাড়ী নাই—The kaviraj felt the pulse of the patient and found that they are already sunk.

সেই সময়ত মোৰ হাত একেবাৰে খালী আছিল—I was quite out of cash at that time.

মানুহৰ গালৈ হাত তোলা বৰ বেয়া—It is very bad to lift a hand against a person.

এই কিতাপখনে বহুত হাত বাগৰিছে—This book has changed many hands.

VERBS

আলচ

আলচা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি—Man proposes, God disposes.

আমি হাজোলৈ যাবলৈ আলচিছিলোঁ—We contemplated to go to Hajo.

তেওঁ পুতেকক বিলাতলৈ পঠিয়াবনে নপঠিয়াব আলচিছে—He is considering whether he should send his son to England.

শত্রুৰ হাতৰপৰা কেনেকৈ সাৰিম তাকে আলচা হৈছে—We are making a plan to enable ourselves to be free from the enemy.

বৰ্ত্তমানৰ ৰজাক ভাঙিবলৈ তেওঁবিলাকে আলচিছিল—They were plotting to dethrone the present king.

বুঢ়া ৰজা ঢুকালে কাক ৰজা পতা হব সেই বিষয়ে মন্ত্ৰীসকলে আলচিছে—The ministers are consulting together as to whom they should enthrone after the death of the reigning king who is old.

উদ্ধাৰ

তেওঁ এই পাপৰপৰা উদ্ধাৰ নাপায়—He cannot atone for this sin.

তেওঁ মোক মৃত্যুৰপৰা উদ্ধাৰিলে—He saved me from death.

এৰ

সি চিৰকাললৈ ঘৰ এৰিলে—He left his home for good.

মই সেই কুঅভ্যাস এৰি দিছোঁ—I have given up that nasty habit.

বৰষুণ এৰিছে—The rain has seased.

জাহাজে ঘাট এৰিলে—Steamer has set off.

মই দুষ্ট ল'ৰাটো এৰি দিছো—I have abandoned the wicked boy.

তেওঁ গৱৰ্ণমেণ্টৰ চাকৰি এৰিলে—He resigned government service.

জৰিমনা কৰি আচামিক এৰি দিছে—The accused has been let off with a fine.

তুমি কেইটা প্ৰশ্ন এৰিলা ?—How many questions have you omitted ?

ভোগালী বিহুৰ পিছত গৰখীয়াই গৰু এৰে—Cows are set at liberty after Bhogali Bihu.

খা

যদুয়ে ভাত খালে—Jadu has eaten rice.

তেওঁ গৱৰ্ণমেণ্টৰ বৃত্তি খাইছে—He is enjoying Government scholarship.

জুৱাই তাক খালে—Gambling has ruined him.

খান্দ

এটা গাঁত খান্দ—Dig up a hole.

কোৰেৰে মাটি খান্দিব পাৰি—Soil may be tilled with a spade.

গাঁৱৰ মানুহবোৰে এটা পুখুৰী খান্দিছে—The villagers are excavating a pond.

খেদ

ৰাতিৰ জুই খেদা মিছা—It is useless to proceed towards a light at night.

ষাড়টো খেদা—Drive the ox off.

নৰবধীক দেশৰপৰা খেদা উচিত—The murderer should be expelled from the country.

আমাৰ সেনাই শত্ৰুৰ পাছে পাছে খেদিছিল—Our soldiers were pursuing the enemy.

এটা বনৰীয়া হাতীয়ে মোলৈ খেদিছিল—A wild elephant rushed towards me.

খোল

অহা সোমবাৰে স্কুল খুলিব—The school will reopen on Monday next.

শচীনে পাণবজাৰত এখন দোকান খুলিছে—Shachin has set up a shop at Panbazar.

বাকচটোৰ মুখখন খোলাচোন—Open the mouth of the box.

গাঁঠিটো খুলি দিয়া—Untie the knot.

গুচ

ল'ৰাটো একেবাৰে গুচিছে—The boy is hopelessly spoiled.

গাঁৱৰপৰা জহনী গুচিছে—Cholera has disappeared from the village.

মোৰ কাহ এতিয়াও গুচা নাই—My cough has not yet ceased.

ইয়াৰপৰা গুচ—Be off from here.

চল

ব্ৰহ্মপুত্ৰত বাৰ মাহ জাহাজ চলে—The steamer plies throughout the year in the Brahmaputra.

এই দৰবটোৱে গোটেই সপ্তাহ চলিব—The medicine will continue for the whole week.

এইটো টকা নচলিব বুলি কোনে কয়?—Who says that this rupee will not pass?

৫ সেৰ চাউল হলে কুৰিটা মানুহৰ চলিব—Five seers of rice will suffice for twenty men.

বৰ্তমান এশটকা ৰূপ হলেই চলিব—Rs. 100 will do at present.

এই নিয়ম আমাৰ দেশত এতিয়াও চলিছে—This custom still prevails in our country.

চলা

তেওঁ কাৰবাৰ চলায়—He conducts his business.

ড্ৰাইভাৰে কল চলায়—The driver drives the engine.

সি গাৰী চলায়—He drives a cart.

বৰ্ত্তমান হেডমাষ্টৰে স্কুল ভালকৈ চলাইছে—The present Headmaster is managing the school well.

এইটো চাকিৰে বৰ্ত্তমান চলোৱা—Do with this lamp for the present.

নানকে আমাৰ দেশত নতুন ধৰ্ম্মমত চলাইছিল—Nanak was preaching new religious principles in our country.

টান

তেওঁ নিজ বংশৰ ফালেহে টানে—He draws towards his relations.

তেওঁ আৰু দুবছৰমান টানিব—He may live for two years more.

তাক হাতত ধৰি টান—Pull him by the hand.

তেওঁক দক্ষিণ ফালেহে টানিছে—He has been attracted towards the south.

এই জোতাযোৰে বেছি দিন নাটানে—This pair of shoes will not last long.

ঢুকা

কালীৰাম অলপতে ঢুকাল—Kaliram died recently.

মোৰ সকলো সম্পত্তি ঢুকাল—All my resources have been exhausted.

ল'ৰাবোৰে ইটাই মিঠাইখিনি খাই ঢুকালে—The boys put an end to the sweets.

তৰ

ঈশ্বৰৰ নাম লৈ মানুহ তৰে—Men attain salvation with the name of God.

এইবাৰলৈ কোনো ৰকমে ৰক্ষা পৰিলোঁ—Somehow I am saved for this time.

সেই বিবাদত তেওঁ মোক তৰালে—He helped me in that difficulty.

থাক, আছ

তেওঁ ঘৰত আছে—He is at home.

গৌৰহৰি সদায় ঘৰত থাকে—Gaurhari always keeps at home.

এতিয়া থাওক, পিছে চাম—Let it be alone now, I shall see to it afterwards.

তুমি ক'ত থাকা—Where do you live ?

তুমি ক'ত আছা—Where are you putting up ?

তুমি কেনে আছা—How are you doing ?

মই প্ৰাণে বাচি আছোঁ—I am barely alive.

ধৰ

চোৰটোক পুলিচে ধৰিছিল—The thief was caught by the police.

সুৰাই গাত ধৰে—Wine intoxicates the drinker.

জুই একুৰা ধৰা—Kindle a fire.

তাক বিষে ধৰিছে—He is suffering from pain.

খেজুৰ গছত বহুত গুটি ধৰে—The date-palm bears fruits in a large quantity.

তেওঁৰ প্ৰস্তাৱ মোৰ মনত নধৰে—I do not agree to his proposal.

তত্‌খিনিকে তেওঁলোকে কামত ধৰিলে—Immediately they began to work.

এই বাকচটোত বহুত কাপোৰ ধৰে—The box can hold many clothes.

সি হাতে হাতে ধৰা পৰিল—He was caught red-handed.

কচুই ডিঙিত ধৰে—Arum irritates throat.

পৰ

বৰষুণ পৰিছে—It is raining.

পানী টোপালে টোপালে পৰিছে—Water is falling drop by drop.

এতিয়া বেলি পৰিছে—Now the sun is going to set.

পহুটো জালত পৰিছিল—The deer was caught in net.

তেওঁ অশেষ কষ্টত পৰিছে—He has been involved in endless distress.

তেওঁ বিছনাত পৰিছে—He is lying down to sleep.

কলং নৈ কাজলীত ব্ৰহ্মপুত্ৰত পৰিছে—The Kalong has joined the Brahmaputra at Kajali.

ঘৰৰ চালত এটা চৰাই পৰিছে—A bird is perching on the roof of the house.

বহুত যুঁজাৰু ৰণত পৰিছিল—Many warriors were killed in the battle.

পা

তেওঁৰ গা ভাল পাইছে—He is feeling better.

তাক ভূতে পাইছে—He is possessed by an evil spirit.

তেওঁ কিতাপ লিখি টকা পাইছে—He has earned money by writing books.

তেওঁ কাৰবাৰত বহুত টকা পাইছে—He has gained a good profit by his business.

তেওঁ এতিয়ামানে ডিব্ৰুগড় পাইছেগৈ—By this time he must have arrived at Dibrugarh.

পোহা

মোৰ ভাইটোকো ময়ে পুহিব লাগে—I have also to support my brother.

মই এটা ডাঙৰ পৰিয়াল পুহিব লাগে—I have to maintain a big family.

তেওঁ এজাক গৰু ছাগলী পুহিছে—He is rearing a good flock of cattle.

প্ৰবৰ্ত্ত

তেওঁ বৈষ্ণৱ ধৰ্মত প্ৰবৰ্ত্তিছে—He has followed Vaishnavism.

এই আইন তেওঁৰ ৰাজ্যত প্ৰবৰ্ত্তন কৰা হৈছিল—This law was enforced in his kingdom.

এইমত আজিও প্ৰবৰ্ত্তিছে—This principle prevails even to-day.

ভৰ

কলহত পানী ভৰা—Pour water into the pot.

টকাখিনি হাতবাচকত ভৰা—Put the money into the cash box.

পেটটো ভাতেৰে ভৰালে কি লাভ হব—It is useless to fill the stomach with rice only.

মই কিতাপখনৰ দাম ভৰিলোঁ—I have paid the price of the book.

মাত

সি মাতিলে যাবা—Go to him when he calls you.

তুমি মাতিব নালাগে—You need not speak.

সি পাঠ মাতিব নোৱাৰিলে—He could not read his lesson.

মোক তেওঁৰ বিয়ালৈ মাতিছিল—I was invited to his marriage.

মান

ছাত্ৰে শিক্ষকক মানিব লাগে—The student should respect his teacher.

আমি স্বাস্থ্যৰক্ষাৰ নিয়ম মানিব লাগে—We should follow the laws of the preservation of health.

হিন্দুৱে অতীত বৰকৈ মানে—The Hindus greatly revere the past.

মই তেওঁৰ উপকাৰ মানিছোঁ—I have acknowledged his benifits.

নাস্তিকে পৰকাল নামানে—An atheist does not believe in the next world.

ৰাখ

তেওঁ ডাঁড়ি ৰাখিছে—He wears beard.

এই ল'ৰাটোৱে গৰু ৰাখে—This boy tends cow.

মানীৰ মান ৰক্ষা আমাৰ কৰ্ত্তব্য—It is our duty to show respect to the respectable.

এই কথা মনত ৰাখিবা—Bear this in mind.

টকাকড়ি ৰাখিব পাৰিছা নে নাই—Have you been able to save any money ?

তোমাৰ লগত এই টকাৰ মোনাটো ৰাখিবা—Keep this money bag with you.

তেওঁ কথা ৰাখিব নোৱাৰিলে—He could not keep his word.

এই চুৰিখন তোমাৰ জেপত ৰাখা—Put this knife into your pocket.

লৰ

মোৰ ভৰিখন লৰিছে—My leg is shaking.

ল'ৰাই লৰিছে—The boys are running.

মাছটো লৰিছে—The fish is rotting.

চকিখন অলপমান লৰাই লোৱা—Please move the chair a little.

তেওঁ অলপতে ঘৰ লৰাব—He will shortly remove his house.

মণিৰামৰ হাত লৰ স্বভাব আছে—Maniram is in the habit of picking pockets.

লাগ

তাৰ বৰ ভয় লাগিছে—He is greatly afraid.

ইয়াত হাত নলগাবা—Do not touch it.

আমটো খাবলৈ মিঠা লাগিছে—The mango has tasted sweet.

কামটো কৰিবলৈ বহুত সময় লাগিল—It took a long time to finish the work.

ল'ৰাটোৰ ভোক লাগিছে—The boy is feeling hungry.

তাৰ গলত মাছৰ কাঁইট লাগিল—The bone of a fish has stuck in his throat.

সি ঘৰটোত জুই লগালে—He set fire to the house.

তেওঁ কামত লাগিছে—He has set himself to work.

মোৰ গাটো বেয়া লাগিছে—I am feeling unwell.

মোৰ পানী লাগিছে—I have caught cold.

সাজ

তেওঁ চকী এখন সাজিছে—He is making a chair.

পদকীয়াই প্ৰায়ে কথা সাজে—An accused often gives a false statement.

বিশ্বাসৰ অযোগ্য কথা সজা ভাল নহয়—It is wrong to invent incredible stories.

তিনিটা মানুহে ঘৰ এটা সাজিছে—Three men are constructing a house.

সাধ

সাধিলে সকলো ডাঙৰ কামেই সিদ্ধি হয়—All great things can be performed only if we endeavour.

সিদ্ধিৰ কাৰণে সাধিব লাগে—One should persevere for success.

ছাত্ৰক শব্দ সাধিবলৈ শিকোৱা হয়—The student is taught to decline a word.

ইচ্ছা থাকিলে দুখীয়ায়ো পৰৰ উপকাৰ সাধিব পাৰে—Even a poor man can do good to others only if he is inclined to do.

গোখলে বহুত মহৎ কৰ্ম সাধিলে—Gokhale accomplished many great deeds.

সোধ

মই সেই বিষয়ে সুধিছিলোঁ—I enquired into that matter.

বিচাৰকে মোকৰ্দমা সোধে—The judge tries cases.

হিন্দু মাত্রেই আলহী সোধে—Every Hindu entertains the guest.

তেওঁৰ ঘৰলৈ গলোঁ, তেওঁ মোক স্বধিলে—I went to his house, but he did not receive me.

ADJECTIVES

কু

কুবাক্য—ill words.

কুৰূপ—ugly appearance.

কুঅভিপ্রায়—sinister motive.

কুসঙ্গ—evil company.

কুসংস্কাৰ—false notion.

কুমন্ত্রণা—conspiracy.

কেঁচা

কেঁচা ঘৰ—a mud-built house.

কেঁচা বুদ্ধি—unripe intelligence.

কেঁচা কথা—injudicious words.

কেঁচা ডেকা—a raw youth.

গাঢ়

গাঢ় নিদ্রা—sound sleep.

গাঢ় চিন্তা—deep thinking.

গাঢ় পানী—deep water.

ঘন

ঘন চুলি—thick hair.

ঘন হাবি—dense forest.

ঘন চিয়াহী—thick ink.

ঘন গাখীৰ—condensed milk.

ঘন গছ—thick-set trees.

ঘন উশাহ—frequent breathing.

দীঘল

দীঘল গছ—a tall tree.

দীঘল বন্ধ—a long vacation.

দীঘল পেটীয়া মানুহ—a pot-bellied man.

পকা

পকা চুলি—grey hair.

পকা ল'ৰা—a clever boy.

পকা ঘৰ—brick-built house.

পকা আম—ripe mango.

পকা বাট—metalled road.

পকা চোৰ—an expert thief.

পাতল

পাতল মন—light mind.

পাতল গাখীৰ—watery milk.

পাতল কাকত—thin paper.

পাতল টোপনি—light sleep.

ভয়ানক

ভয়ানক মানুহ—a dangerous man.

ভয়ানক দৃশ্য—horrible sight.

ভয়ানক হত্যাকাণ্ড—diabolical murder.

ভয়ানক অগ্নিকাণ্ড—terrible fire.

ভয়ানক জন্তু—a ferocious animal.

ভয়ানক কাণ্ড—a dreadful affair.

ভয়ানক জাৰ—severe cold.

ভাল

ভাল অৱস্থা—well-to-do position.

ভাল মানুহ—gentle man.

ভাল পণ্ডিত—eminent scholar.

ভাল খবৰ—happy news.

ভাল পঢ়াশুনা—good preparation of lessons.

ভাল জল বায়ু—congenial climate.

ভাল কিতাপ—choice books.

ভাল উপদেশ—useful advice.

সৰু

সৰু ডাল—a slender branch.

সৰু কলম—a fine pen.

সৰু মানুহ—a short man.

সৰু কথা—mild talk.

সৰু ঘৰ—a small house.

সৰু ল'ৰা—a little boy.

সামান্য

সামান্য বিষয়—a trifling matter.

সামান্য মানুহ—an insignificant person.

সামান্য জ্বৰ—slight fever.

সামান্য বস্তু—small thing.

সামান্য লোক—ordinary fellow.

সামান্য অসুখ—A little indisposition.

LESSON 16

Phrases & Proverbs

PHRASES

Noun

আয়ৰ বাট—a source of income.

চাউলৰ চালান—a consignment of rice.

দুখৰ বিষয়—a matter of regret.

মাকৰ মৰম—affection of mother.

গছৰ খোৰোং—the hollow of a tree.

সমাজৰ দস্তুৰ—the custom of society.

সোঁতৰ বেগ—the current of stream.

ব্যয়ৰ হিচাপ—an account of expenditure.

চৰিত্ৰৰ বল—strength of character.

ইন্দ্ৰিয়ৰ দাস—slave to one's passions.

পেটৰ অসুখ—disorder of bowels.

প্ৰমাণৰ ভাৰ—the burden of proof.

সুখৰ নিজৰা—the fountain of happiness.

প্ৰকৃতিৰ সৌন্দৰ্য—the beauty of nature.

ঈশ্বৰৰ মহিমা—the glory of God.

সূৰ্যৰ কিৰণ—rays of the sun.

মনৰ সুখ-সন্তোষ—satisfaction of mind.

টোপৰ মুখ—the mouth of a cannon.

হেড মাষ্টৰৰ আদেশ—the orders of the Headmaster.

টেমচ নদীৰ সুৰঙ্গ—the tunnel of the Thames.

হাতী দাঁতৰ আঙঠি—an ivory ring.

চকুৰ কুটা—an eyesore.

দাঁতৰ বিষ—toothache.

সোণৰ খাৰু—a gold bracelet.

নৈৰ দাঁতি—the riverside.

পঢ়াশালিৰ ল'ৰা—the school boy.

মৰাপাটৰ কল—a jute mill.

লোৰ হাতুৰী—an iron hammer.

ভাত-কাপোৰ—food and clothing.

জ্ঞাতি-কুটুম—kith and kin.

হাত-ভৰি—hand and foot.

তেজ-মাংস—flesh and blood.

চিৰস্থায়ী বন্দোবস্ত—the permanent settlement,

হিয়াফলা বাতৰি—heart-rending news.

সতৃষ্ণ নয়ন—wistful eyes,

বাজে ওজৰ—lame excuse.

ভৰ বয়স—mature age.

শকত গাঁঠি—a tight knot.

জাতীয় চৰিত্ৰ—national character.

আসন্ন বিপদ—imminent danger.

শুভলগ্ন—auspicious moment.

অৱশ্যম্ভাৱী ফল—inevitable result.

এমুঠি চাউল—a handful of rice.

এপাল গৰু—a herd of cows.

চাৰি গাড়ী চাউল—four cartloads of rice.

পঞ্চাশ টকীয়া দৰমহা—a salary of Rs. 50.

এগিলাচ পানী—a glass of water.

এডোখৰ জৰী—a piece of string.

হাতীদাঁতৰ ফণী—a comb of ivory.

একেলগে থকা পৰিয়াল—a joint family.

এশাৰী গছ—a row of trees.

এচামুচ গাখীৰ—a spoonful of milk.

অতিথি সৎকাৰ—rites of hospitality.

মৰিশালী—cremation ground.

হাতৰ খৰচ—pocket expense.

বলিয়াৰ বলকনি—the ravings of a mad man.

স্থাবৰ সম্পত্তি—immovable property.

হাবাপানী সলনি—change of climate.

ঘনিষ্ঠ সম্পৰ্ক—close relationship.

ঘনিষ্ঠ সংশ্ৰব—close attachment.

ধনৰ হেঁপাহ—desire for wealth.

দানপত্ৰ—deed of gift.

সোণৰ বনকৰা কাপোৰ—gold embroidered cloth.

নৰ শোণিত—the human blood.

ক্ৰিয়াহীন—having no work to do.

লাজ নোহোৱা—devoid of sense of shame.

ধনজন নোহোৱা—having neither money nor men.

দৰ্শন শক্তি নথকা—deprived of the eyesight.

সোৱাদ নথকা—without taste.

চকুলোৰে ভৰা চকু—eyes full of tears.

ভুলেৰে ভৰা ৰচনা—an essay full of mistakes.

আনন্দেৰে ভৰা হৃদয়—heart filled with pleasure.

ৰহস্যপূৰ্ণ জগত—the universe full of mysteries.

উপদেশপূৰ্ণ কিতাপ—a book full of morals.

বায়ুৰে ভৰা চিচা—a bottle filled with air.

নাক কটা—nose clept.

চুলি ছটা—hair-cropped.

মামৰে ধৰা—wasted by rust.

পোকে খোৱা—worm-eaten.

পশ্চিম মুখা—facing to the west.

তললৈ ওলমা—bending downward.

সাগৰলৈ বোৱা—flowing to the sea.

কলা কাপোৰ পিন্ধা—wearing a black dress.

নগৰৰ ওচৰত থকা—situated in the vicinity of the town.

দেখিবলৈ শুৱনি—nice to look at.

যাবলৈ উদ্যত—ready to go.

পিন্ধিবলৈ সুচল—convenient to wear.

শুনিবলৈ ভাল—sweet to hear.

বুজিবলৈ টান—difficult to understand.

মৰিবলৈ সাজু—ready to die.

জানিবলৈ সন্তোষজনক—pleasant to know.

শিকিবলৈ উজু—easy to learn.

পঢ়িবলৈ ভাল—interesting to read.

চাবলৈ উৎসুক—inquisitive to see.

মাত্তিবলৈ টান—hard to pronounce.

সংকীৰ্ণমনা—narrow-minded.

কোমল হৃদয়—tender-hearted.

নতুনকৈ উঠা—newly rising.

হিয়া ফলা—heart-rending.

বিয়াৰ বয়সীয়া—of marriageable age.

অৰুচিকৰ—causing loss of appetite.

অজৰ অমৰ—not subject to death.

প্ৰায় অসম্ভৱ—next to impossible.

কাণে নুশুনা—hard of hearing.

যুক্তিযুক্ত—supported by reason.

অৰ্থলোভী—greedy of gain.

কিংকৰ্তব্যবিমূঢ়—not knowing what to do.

সম্পূৰ্ণ বিপৰীত—diametrically opposite.

এলাহৰ বশ—given to lethargy.

সবিস্তাৰ—in details.

ভস্মীভূত—reduced to ashes.

আগেয়ে নুশুনা—unheard of before.

মৰণাধীন—subject to death.

বিচাৰাধীন—under trial.

আশানুৰূপ—to one's expectations.

অধীনলৈ অনা—brought under subjection.

নৈৰ পাৰত—on the river side.

মন্ত্ৰ মুগ্ধ—spellbound.

Adverblal

সুন্দৰকৈ—nicely, বিশেষকৈ—particularly, বিতোপনকৈ—beautifully, তন্নতন্নকৈ—minutely, ঘাইকৈ—chiefly, স্পষ্টকৈ—plainly.

বিশদভাৱে—elaborately.

বিশ্বস্তভাৱে—faithfully.

নম্ৰভাৱে—modestly.

অন্যায়ভাৱে—unjustly.

সুচাৰুৰূপে—elegantly.

পুঙ্খানুপুঙ্খৰূপে—minutely.

সেই দৰে—accordingly, in that way.

এই দৰে—thus, in this way.

সেই দৰেই—in the same manner.

ভালমতে—aptly.

সুখেৰে—happily.

যতনেৰে—carefully.

স্বভাৱতে—naturally.

মৰমেৰে—lovingly.

অনুগ্ৰহ কৰি—kindly.

স্বৰূপতে—really, in truth.

বাৰেবাৰে—again and again, repeatedly.

ঘনেঘনে—often and often, frequently.

মুহূৰ্তে মুহূৰ্তে—at very moment.

বাটে বাটে—by the streets.

দিনে দিনে—day by day, daily.

Prepositional

কাৰণে—because of, for the matter of.

ভয়ত—for the fear of.

হকে—for the sake of.

অনুসন্ধানত—in quest of.

পৰিবৰ্তে, ঠাইত, সলনি—in place of, instead of.

ফলত, পৰিণামত—in consequence of.

সলনি, হৈ—on behalf of, for.

Verbal

আগ কৰ—to introduce to a superior, to produce before.

আগ বঢ়া—to set apart for gods.

আগ বঢ়াই আন—to go forward and receive with politeness.

আগ বাঢ়—to advance, to surpass.

আগ হ—to present oneself to.

আগ-ভেট—to prevent from advancing

আঁট মাৰ—to thicken.

আঁট ধৰ—to hold fast.

আলু তোল—to root out.

আলু উঠ—to be extinct.

উজাৰ—to ruin, to desolate.

খাই পাত ফাল—to be ungrateful.

গপ মাৰ—to boast.

গোট কৰ—to gather, to total up.

গোট খা—to assemble.

গোট খুৱা—to unite, to collect.

গোট ধৰ—to bear fruits.

টিকা পা—to know the value or quantity of.

ততাতৈয়া কৰ—to make haste, to hurry up.

তৰ পা—to come to the shore.

দম বান্ধ—to heap up.

দম খা—to be gathered in heaps or large quantities.

পম খেদ—to follow the clue.

পাগত উঠ—to be well-tempered.

পাগ ধৰ—to temper.

পাক খা—to be twisted.

পাক পৰ—to move as an eddy.

পাক মাৰ—to go and come back quickly.

অথালিপথালি—lengthwise and crosswise.

অপাকী—not easily digestible.

চকুপোৰা—envious.

চকুৰোৱা—beautiful, attractive.

অলপধতুৰা—timid.

অলৌ-ভলৌ—unmeaning, incoherent.

অহো হোৱা—open-hearted.

আউলীয়া—deranged, disordered.

আটকীয়া—scarce, rare.

আটন্ধিয়াৰ—well-to-do.

PROVERBS

অতি ভক্তি চোৰৰ লক্ষণ—Too much courtesy too much craft.

অতিদৰ্পে হতা লঙ্কা—Pride must have a fall.

অতিমাত্ৰা সকলোৰে বেয়া—Too much of anything is bad.

অল্পভাষী জ্ঞানীৰ লক্ষণ—Wise man speaks little.

অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ—Habit is the second nature.

অভাৱেই আবিষ্কাৰৰ মূল—Necessity is the mother of invention.

অল্প বিদ্যা ভয়ঙ্কৰী—Little learning is a dangerous thing.

আতুৰত নিয়ম নাই—Necessity knows no law.

আদৰত ল'ৰা নষ্ট—Spare the rod and spoil the child.

আকাশত চাং পতা—To build castles in the air.

আকাশলৈ থু পেলালে গাতে ঘূৰি পৰে—Harm seek, harm find.

আপদৰ বন্ধুৱেই যথাৰ্থ বন্ধু—A friend in need is a friend indeed.

আপোন ভালেই জগত ভাল—To the pure all things are pure.

আয় চাই ব্যয় কৰিবা—Cut your coat according to your cloth.

উপদেশতকৈ উদাহৰণ ভাল—Example is better than precept.

এঙাৰ ধুলেও বগা নহয়—Black will take no other hue.

এক বুঢ়ী দুই কাম ধান বানে চোহে আম—To kill two birds with one stone.

এবাৰ সাপে খালে কেঁচুলৈকো ভয়—A burnt child dreads the fire.

এপাত তাল নাবাজে—It takes two to make a quarrel.

এপাচী কচুশাকত এটা জালুক—A drop in ocean.

কথাত কথা বাঢ়ে—Words beget words.

কুটৰ পো কুটি লোকলৈ হুল পুতি নিজে মৰে ফুটি—Harm watch harm catch.

কটা ঘাঁত কলা খাৰ—To add insult to injury.

কুকুৰ চাই টাঙোন—Tit for tat.

ক্ষমা স্বৰ্গীয় বস্তু—To forgive is divine.

ক্ষমাই প্ৰকৃত প্ৰতিহিংসা—Forgiveness is the noblest revenge.

ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট—To blow hot and cold in the same breath.

ক্ষন্তেকৰ ভোজ খাওঁতা নাই—There is many a slip between the cup and the lip.

গতস্য শোচনা নাস্তি—Let bygones be bygones.

গেলাত টেঙা নিদিবা—Don't add insult to injury.

গাখীৰ খুৱাই সাপ পোহা—To cherish a serpent in one's bosom.

ঘঁহি থাকিলে শিলো ক্ষয় যায়—Constant dropping wears away stones.

চকুৰ আঁতৰ হলে মনবো আঁতৰ—Out of sight, out of mind.

চোৰ পলালে বুদ্ধি ওলায়—Everyone is wise after the event.

চোৰেহে দেখে চোৰৰ ঠেঙ—Birds of the same feather flock together.

চকচকীয়া হলেই সোণ নহয়—All that glitters is not gold.

চুঙা চাই সোপা—Tit for tat.

জোৰ যাৰ মুলুক তাৰ—Might is right.

ছেগ বুজি কৰিবা কাজ—Strike while the iron is hot.

টকাত টকা বাঢ়ে—Money begets money.

তাল প্ৰমাণে বাঢ়ে তিল প্ৰমাণে টুটে—Come by the pound, go away by the ounce.

তিলকে তাল কৰা—To make a mountain out of a molehill.

তেলীৰ মূৰত তেল—To carry coal to Newcastle.

দুখ নকৰিলে মুখ নভৰে—No rose without a thorn.

দুখৰ ৰাতি সোনকালে নুপুৱায়—Sad hours seem long.

দাঁত নোহোৱা সাপৰ ফোঁপনিয়েই সাৰ—An empty vessel sounds much.

নাচিব নাজানে চোতালখন হেতাম কুৰীয়া—A bad workman quarrels with his tools.

নাই মোমাইতকৈ কণা মোমাই ভাল—Half a loaf is better than no loaf.

নানা মুনিৰ নানা মত—Many men many minds.

নুবুৰে মানে বাবা নমৰে মানে চাবা—While there is life there is hope.

নহলে যতন নিমিলে ৰতন—No pain no gain.

নকটা খেৰৰ ন শ—To count the chickens before they are hatched.

নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰা—To cut off one's nose to spite one's face.

পাপৰ ধন পৰাচিতত যায়—Ill got ill spent.

পৰত আশ বনত বাস—To depend on others is to invite ruin.

পণ্ডিতে শিকে দেখি, মূৰ্খই শিকে ঠেকি—Wise men learn by other's mistakes, fools by their own.

পলমে বিপদ মাতে—Delay is dangerous.

পাপ কথা লুকাই নাথাকে—Murders will out.

পৰিশ্ৰমেই সৌভাগ্যৰ প্ৰসূতি—Diligence is the mother of good luck.

ফলেন পৰিচীয়তে—A tree is known by its fruits.

বিনা মেঘে বজ্ৰপাত—A bolt from the blue.

বাপেক চাই পুতেক—Like father, like son.

বিপদ কেতিয়াও অকলে নাহে—Misfortune never comes alone.

বেজীৰ জলাকো মনে কুঠাৰৰ জলাকো নমনে—Penny wise pound foolish.

ভাতৰ আঞ্জা ভোক—Hunger is the best sauce.

ভুকুতে কলটো নপকে—Rome was not built in a day.

ভালৰ ভাল সৰ্বতিকাল—Honesty is the best policy.

মন কৰিলে চন কৰিব পাৰি—Where there is a will, there is a way.

মানুহে পাতে ঈশ্বৰে ভাঙ্গে—Man proposes God disposes.

মেঘে যিমান গাজে তিমান নবৰিষে—Barking dogs seldom bite.

মুখত মিঠা ভিতৰত গৰল—A honey tongue, a heart of gall.

মৌনম্ সম্মতি লক্ষণম্—Silence gives consent.

মুনীনাঞ্চ মতিভ্ৰমঃ—Even Homer sometimes nods.

মানুহ মাত্ৰেই ভুল হয়—To err is human.

যেনে কাম তেনে ফল—As you sow, so will you reap.

যেতেকে নাটে তেতেকে ফাটে—He that longs most lacks most.

যি মূলা বাঢ়িব তাৰ দুপতীয়াতে চিন—Morning shows the day.

যি নিজক নিজে সহায় কৰে তেওঁকেই ঈশ্বৰে সহায় কৰে—God helps those who help themselves.

যত দোষ নন্দঘোষ—I am the scapegoat.

ৰূপে কি কৰে গুণে সংসাৰ তৰে—Handsome is that handsome does.

ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে—What God will, no frost can kill.

বৌটোক ঢৌটো কৰা—To make a mountain out of a molehill.

ৰামো নাই অযোধ্যাও নাই—Oh the times ! oh the manners !

লাই পালে কুকুৰে গললৈকে জপিয়ায়—Give him an inch, he will take an ell.

লুইতেহে জানে বঠা কিমানলৈ বহে—The wearer knows where the shoe pinches.

শুই থকা কুকুৰক জগাই নলবা—Do not wake the sleeping dog.

শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে—A sleeping fox catches no poultry.

শেষ ভালেই সকলো ভাল—All's well that ends well.

সাপেহে দেখে সাপৰ ঠেং—Set a thief to catch a thief.

সম্পদত বন্ধুৰ অভাৱ নাই—Friends are plenty when the purse is full.

সময় কাৰোকো বৈ নাথাকে—Time and tide wait for nobody.

হুলে হুল কাঢ়ে—One nail drives out another.

LESSON 17

Conversation in Assamese

I

শিক্ষক— তোমাৰ নাম কি ?

What's your name ?

গোপাল— মোৰ নাম শ্ৰীগোপাল চন্দ্ৰ দাস

My name is Sri Gopal chandra Das.

শিক্ষক— তোমাৰ দেউতাৰ নাম কি ?

What's your father's name ?

গোপাল— মোৰ দেউতাৰ নাম শ্ৰীৰাখালচন্দ্ৰ দাস ।

My father's name is Sri Rakhal Ch. Das.

শিক্ষক— তেখেতে কি কাম কৰে ?

What is he ?

গোপাল— তেখেতে অফিচত কাম কৰে ।

He works in an office.

শিক্ষক— তোমাৰ জনমভূমি কি ?

What is your birthplace ?

গোপাল— মোৰ জনমভূমি কামৰূপ জিলাত ।

My birth place is in the Kamrup district.

শিক্ষক— এতিয়া ক'ত থাকা ?

Where do you live now ?

গোপাল— এতিয়া মই ছিলঙত থাকোঁ ।

Now I am living at Shillong.

শিক্ষক— তোমাৰ ঘৰত আৰু কোন কোন আছে ?
Who else are living at your home ?

গোপাল— ঘৰত মোৰ আই, এজন ভাই আৰু দুজনী ভনী আছে।
There are my mother, one brother and two sisters in our home.

(II)

Naren—তোমাৰ বয়স কিমান ?—How old are you ?

Suren—মোৰ বয়স ষোল বছৰ হৈ গৈছে—I am passed sixteen.

Naren—তোমাৰ আই বোপাই আছে নে ?—Are your parents living ?

Suren—বোপাই আছে কিন্তু আই সৰুতে মৰিল—My father is still living but my mother died while I was a child.

Naren—তোমাৰ বোপাই কি কৰে ?—What is your father ?

Suren—মোৰ বোপাইৰ এখন দোকান আছে—My father keeps a shop.

Naren—তুমি কি কৰা ?—What are you ?

Suren—মই টাইপ-ৰাইটিং শিকিছোঁ—I am practising type-writing.

Naren—তুমি এতিয়া ক'লৈ যোৱা ?—Where are you going now ?

Suren—মই অলপ ফল কিনিবলৈ বজাৰ'ল যাওঁ—I am going to purchase some fruits from the market.

Naren—এতিয়া তুমি যাব পাৰা—Now you may go.

(III)

Student—মোক এই কিতাপবোৰ দিয়কচোন।

Please have me these books.

Book-seller—তালিকাখন দিয়ক, মই কিতাপ আনি দিওঁ।

Kindly let me have the list, I will bring you the books.

Student—বাৰু, এইখন নিয়ক, কিমান সময় লাগিব ?

All right, here it is. How long will it take you ?

Book-seller—প্ৰায় আধাঘণ্টা, আপুনি অলপ পৰ বহক—It will take me about half-an-hour, please sit down for a while.

Student—বাৰু বহিছোঁ, অলপ লৰালৰি কৰিব, মোৰ জৰুৰী কাম আছে।

All right, kindly make haste, I have some urgent piece of business to attend.

Book-seller—আটাইবোৰ কিতাপ লাগে নে চিন দিয়াবোৰহে লাগে ?

Do you want all the books or only the marked ones ?

Student—নহয়, আটাইবোৰকে লাগে। আপুনি কিতাপ উলিয়াওঁক মই এই নোটখন ভঙাই আনো—No, I want them all. Please take out the books and let me go and cash the note.

Book-seller—নালাগে, আপুনি আৰু কষ্ট কৰিব নালাগে, বাকী টকা আমিয়েই দিম—No, you need not take the trouble. We shall give you the balance.

tudent—কিমান টকা হ'ল? মই কিমান টকা ঘূৰাই পাম?

What is the amount to be paid? What balance shall I get?

look-seller—দুটকা বাবন্ন পইচা।

Rupees two and fifty-two paise.

IV

Doctor & Patient

'atient—নমস্কাৰ ডাক্তৰবাবু, মোৰ কথা অলপ শুনিব নে?

Good morning, doctor! Can you spare me a few minutes?

Doctor—নিশ্চয় শুনিম, আহক, বহক, কওকচোন আপোনাৰ কি হৈছে?

Certainly! Come in and sit down. Now tell me what the matter is with you?

'atient—সেই কথাটোকেই আপোনাক কবলৈ বিচাৰিছোঁ।

That is just what I want to tell you.

Doctor—তেন্তে কওকচোন বাৰু আপোনাৰ কি অসুবিধা হৈছে?

Well, tell me what are your troubles?

Patient—মোৰ মুঠেই ভোক নালাগে। মোৰচোন সদায় পেটৰ অসুখ থাকে।

I have no appetite at all, and I am always suffering from indigestion.

Doctor—আপোনাৰ মূৰৰ বিষো আছে নেকি?

Are you troubled with headaches also?

Patient—হয় আছে, কিন্তু আটাইতকৈ অসুবিধা হৈছে নিশা মোৰ ভাল টোপনি নহয়।

Yes, I am. And what is worse, I can't sleep well at night.

Doctor—হয় নেকি, আপুনি কি কাম কৰে ?

I see. What are you ?

Patient—মই এটা ব্যৱসায়ী অফিচৰ কেৰাণী। অফিচত মই একে ঠাইতে বহুত সময় বহি কাম কৰিব লাগে।

I am a clerk in a merchant office and have to work long hours at a sitting.

Doctor—আবেলি আপুনি কিবা ব্যায়াম কৰে নেকি ?

Do you take any sort of exercise in the evening?

Patient—নকৰোঁ ডাক্তৰ, মই কোনো ব্যায়াম নকৰোঁ। ঘৰলৈ আহি মই ইমান ক্লান্ত হওঁ যে ভুটামান খায়েই শুই পৰোঁ।

No, doctor ; I don't take any exercise. When I come home I feel so tired that I simply take my food and go to bed.

Doctor—মোৰ ধাৰণাৰে আপোনাৰ অসুখৰ মূলতে বিশ্ৰামৰ অভাৱ আৰু উপযুক্ত দৈহিক শ্ৰমৰ অভাৱ।

I think all your troubles are due to lack of rest and proper physical labour.

Patient—ময়ো তাকেই ভাবোঁ। বহুতদিন ধৰি মই ছুটী পোৱা নাই।

I also admit this. I could not have any leave for a long time.

Doctor—আপুনি আপোনাৰ অফিচৰপৰা কিছুদিনৰ কাৰণে ছুটী লব নোৱাৰে নে ?

Are you not able to secure leave from your office for a few days ?

Patient—মই ভাবোঁ আপোনাৰ চাৰ্টিফিকেট পালে পোৱা যাব।

I think, I shall be able to secure it with your certificate.

Doctor—ভাল তেনে। আপুনি কিছুদিনৰ বাবে আপোনাৰ গাঁওৰ ঘৰলৈ যাওক। ঘৰৰ দুৱাৰ খিৰিকী খুলি ৰাখি মুক্ত বতাহত শুব। পুৱা আৰু গধূলি কিছু সময় খোজ কাঢ়িব। সময়মতে খাব। ভোক আৰু হজমশক্তি বঢ়াৰ লগে লগে খোৱাৰ পৰিমাণো লাহে লাহে বঢ়াব। মই ভাবোঁ, এই দৰে চলিলে আপুনি সোনকালে আৰোগ্য লাভ কৰিব।

Very good. You must go to your village for a few days. Sleep in the open air, keeping the doors and windows open. Take your food in regular time, increase diets gradually according to your digestive power and appetite. I think you will be all right very soon if you follow these instructions.

Patient—আপোনাক বহুত ধন্যবাদ ডাক্তৰ। মই আপোনাৰ উপদেশ মানি চলিম। নমস্কাৰ।

Thank you doctor. I will follow your instructions. Good morning.

Doctor—নমস্কাৰ। শৰীৰ কেনে থাকে জনাব।

Good morning! Please let me know how you get on.

V

Ramen & Pinaki

Ramen—কেনে আছে? বহুত দিনৰ মূৰত দেখা পালোঁ।

How do you do? I see you after a very long time.

Pinaki—হয় ভাই, এটা বিশেষ কামত নগৰলৈ আহিছোঁ। আজিয়েই সন্ধ্যা ফিৰিম।

Yes, brother, I have come on a particular piece of business and will return home this evening.

Ramen—ইমান লৰালৰি কিয়? নগৰত তোমাৰ ভাল নালাগে নেকি?

Why so soon? Do you not like towns?

Pinaki—নাই ভাই। নগৰ মই মুঠেই ভাল নাপাওঁ। ইয়াৰ লেতেৰা পৰিবেশ মোৰ ভাল নালাগে—গোলমাল মই মুঠেই ভাল নাপাওঁ।

No brother, I don't like towns at all; nor do I find any pleasure in the dirty atmosphere of the town—noise and bustle irritate me.

Ramen—আচৰিত! গণ্ডগোল নোহোৱাকৈ জীৱন উপভোগ কৰিবা কেনেকৈ? গাঁওৰ শান্ত নীৰৱতাই মোক বলীয়া কৰিব খোজে।

Wonder! how can you enjoy life without noise and bustle? The calmness and silence of the village drive me mad.

inaki—যাৰ যি ৰুচি। মই কিন্তু সেউজী পথাৰৰ সৌন্দৰ্য, নদীৰ কুলুকুলু ধ্বনি, গছৰ শীতল ছায়া আৰু সোণালী শস্য ভাল পাওঁ।
Tastes differ; but I like much the beauty of the green fields, the murmuring of rivers, shady groves and golden crops.

.amen—কিন্তু এই আধুনিক যুগৰ কোনটো বস্তুনো গাঁওত পোৱা ?
But what are you getting of this modern time in your village ?

'inaki—মই যি পাওঁ তাক তুমি নগৰত বহি পাব নোৱাৰা।
The thing which I get, can never be got in the town.

Ramen—আহা! তুমি কেৱল শুদ্ধ বতাহ আৰু শান্ত পৰিবেশ লৈয়েই বাচি থাকিব খোজা নে ? চিনেমা, খেলাধূলা, সভাসমিতি আৰু ৰাজনৈতিক কাজ কামক বাদ দি জীৱনটো নীৰস হৈ পৰে।
Ah ! My dear friend, do you want to live with pure air and quiet atmosphere alone ? The life will be then dry and dull without cinema, sports, meetings and political activities.

Pinaki—মই ভাবোঁ নগৰে মানুহক যন্ত্ৰত পৰিণত কৰিছে।
I think that the town has made the human life simply a machine.

Ramen—কিন্তু ডাঙৰ ডাঙৰ নগৰ বিনে ৰাষ্ট্ৰৰ উন্নতি হব পাৰিব নে ?
But can a nation prosper without its great cities ?

Pinaki—তেনে কথা পাহৰি নোৱাৰা বন্ধু, ৰাষ্ট্ৰৰ বুনিয়াদ গাঁওহে। গাঁওৰ উন্নতি বাদ দি ৰাষ্ট্ৰৰ উন্নতি কেতিয়াও হব নোৱাৰে।

But don't forget, my friend, that the foundation of a nation really lies on its villages. Without the improvement of the villages a nation cannot progress.

Ramen—স্বীকাৰ কৰোঁ, কিন্তু মই নগৰক বাদ দিব নোখোজোঁ।

I do admit it, but I don't like to leave the cities.

Pinaki—ধন্যবাদ, ইমানখনে আমাৰ আলোচনা ভালেই হ'ল। কিন্তু মোৰ বৰ পলম হৈ গৈছে। তুমি যদি আমাৰ গাঁওৰ ঘৰলৈ এবাৰ আহা বৰ ভাল পাম। নমস্কাৰ।

Thank you, my dear brother, we have had a good talk now. But I am getting late, I would be very glad if you come once to our village home. Good day.

Ramen—তোমাৰ নিমন্ত্ৰণৰ বাবে ধন্যবাদ। আগত ছুটীৰ সময় পালে নিশ্চয় তোমালোকৰ ঘৰলৈ যাম। নমস্কাৰ।

Thank you for your invitation. I must go to your home if I get a chance in the coming holiday. Good day.

LESSON 18

Specimens of Translation

I

ভাৰত আমাৰ মাতৃভূমি। আমি ভাৰতত বাস কৰোঁ, সেই কাৰণে ন্যান্য জাতিয়ে আমাক ভাৰতীয় বোলে। বৰ্তমান ভাৰত স্বাধীন। ামাৰ দেশৰ স্বাধীনতাৰ কাৰণে আমি বৃটিছ শক্তিৰ লগত বহুদিন যুঁজিছোঁ। ই যুঁজত বহু ৰক্তক্ষয় হ'ল আৰু জীৱন উৎসৰ্গিত হ'ল। আমি মহাত্মাজীক কতিয়াবা পাহৰিব পাৰোঁ নে? আমি জৱহৰলাল নেহৰুক সদায় াঁৱৰোঁ। বৰ্তমান সুভাষচন্দ্ৰ ক'ত আছে? আমি নাজানো। কিন্তু তওঁ চিৰদিন আমাৰ মনত জীয়াই থাকিব।

India is our motherland. We live in India. So other ıations call us Indians. Today India is free. We have ought long with the British power for the freedom of ıur country. In this fight much blood has been shed nd many lives have been sacrificed. Can we ever forget Mahatmaji. We always remember Jawaharlal Nehru. Where is Subhas Chandra to day? We don't know his. But he will live in our memory for ever.

II

সেই দেশত এটা ভয়ঙ্কৰ সিংহ আছিল। মানুহে তাক বৰ ভয় কৰিছিল। যেতিয়া হাৰকিউলিছ তালৈ গৈছিল তেতিয়া সিংহটো মাৰিবৰ কাৰণে সকলোৱে তেওঁক প্ৰাৰ্থনা কৰিছিল। এডাল লাঠী, এখন ধনু আৰু কেইপাতমান কাঁড় লৈ হাৰকিউলিছ সেই জন্তুটোৰ সন্ধানত ওলাল। হঠাতে তেওঁৰ পাছফালে এটা সিংহৰ গৰ্জন শুনিবলৈ পালে। এটা বিৰাট সিংহ তেওঁৰ ওচৰত প্ৰায় জঁপিয়াই পৰিব ধৰিছিল! তৎক্ষণাৎ তেওঁ লাঠীডালেৰে জন্তুটোক আক্ৰমণ কৰিলে! দহ মিনিট যুঁজাৰ পিছত

হিন্দু মুছলমানক একেটা কৰি এটা মহাভাৰতীয় জাতি গঠন কৰিবলৈ চেষ্টা চলিছে। মহামতি আকবৰৰ মনত সৰ্বপ্ৰথমে এই ভাবৰ উদয় হৈছিল আৰু তেওঁ তাক কাৰ্যত পৰিণত কৰিবলৈ যি যি উপায় অৱলম্বন কৰিছিল তাক ভাবিলে সেই মহামনা সম্ৰাটৰ জ্ঞানৰ বিশেষ পৰিচয় পোৱা যায়।

Whoever has read the history of India knows that Akbar was the greatest Mughal Emperor. It was during his time that the whole of Hindustan and the greater part of Deccan was brought under the Mughal Empire. But if we look up to this great man only as a conqueror then we cannot make an estimate of what he really was. Catholicity was the chief trait of his character and by virtue of that special merit he was popular with all. In these days attempts are being made to build up one great Indian nation by uniting the Hindus and the Muslims into one. This idea first occurred to the mind of the noble-minded Akbar, and if we think of the means he adopted to give effect to this, we find a striking proof of the wisdom of that noble-minded Emperor.

VI

এসময়ত এজন ভদ্ৰলোকে মহ'ৰ কামৰ কাৰণে এজন ডেকা ল'ৰা নাগে বুলি এখন জাননী দিলে। কুৰিজনমান ডেকাই আহি ভদ্ৰলোক জনৰ লগত দেখা কৰিলে। সিইঁতৰ বহুতৰে চাৰ্টিফিকেট আছিল। কিন্তু চাৰ্টিফিকেট নথকা ল'ৰা এটাক তেওঁ চাকৰিটো দিলে। ভদ্ৰলোকজনৰ এজন বন্ধুৱে তেওঁক "সুধিলে চাৰ্টিফিকেট নথকা ল'ৰাটোক কিয় কামটো দিলা ?" ভদ্ৰলোকজনে ক'লে "যি ল'ৰাটোক মই নিযুক্ত কৰিছোঁ তুমি তাৰ চাৰ্টিফিকেট নাই বুলি কৈছা, কিন্তু বাস্তৱিকতে তাৰ বহুত চাৰ্টিফিকেট

আছে। সি ঘৰৰ ভিতৰলৈ সোমাবৰ সময়ত ভৰি মচি সোমাল। ভিতৰলৈ সোমোৱা বাটত কেতবোৰ কাকত পৰি আছিল, আহোঁতে সি সেইবোৰ একাষত ভালকৈ গোটাই থ'লে। আনবিলাক ল'ৰাই হলে কাকতবোৰ গছকি আহিল। ইয়াৰপৰা জানিব পাৰিলোঁ। যে সি বৰ সাৱধান।"

Once upon a time a gentleman advertised for a youth to serve as a clerk. About twenty youths came and interviewed the gentleman. Many of them had recommendations with them but he filled the post with a boy who held no certificate. A friend of the gentleman asked him—"Why did you choose a boy who had no recommendation?" The gentleman answered, "You say that the boy I have appointed has no recommendation; in fact, he has a great many. Let me tell you what recommendation he possesses. He wiped his feet when he entered the house. On his way there were lying some papers which he collected and placed aside, while all the rest stepped over them. From this I can gather that he is very careful."

LESSON 19

Passages for Translation

Translate into English :—

1

আমি কাম কৰোঁ। ল'ৰাবিলাকে খেলে। শিশুবিলাকে হাঁহে। সৰু ছোৱালীবোৰে নাচে। ফুল ফুলে। পুবফালে সূৰ্য উদয় হয়। চৰায়ে আৰাও কৰে। বতাহ বলে (blows)। পাত সৰে।

2

এই গাঁওখন সৰু। গাঁৱত দুশ মানুহ থাকে। অধিকাংশ মানুহেই খেতিয়ক। খেতিয়কসকলে পথাৰত হাল বায়। তেওঁলোকে সকলোৰে বাবে শস্য উৎপাদন কৰে (produce)। এইখন পথাৰত খুব ধান উৎপন্ন হয়। ধানৰপৰা চাউল, মুড়ী, চিৰা ইত্যাদি তৈয়াৰ কৰা হয়। আমি সকলোৱে মুড়ী খাওঁ। মুড়ী আৰু গুড় এবিধ ভাল জলপান।

3

তুমি কালি ক'ত আছিলা ? ঘৰলৈ এজন দোকানী আহিছিল। নানা ৰকমৰ কাপোৰ আনিছিল। মোৰ আয়ে তিনিখন চাদৰ কিনি ৰাখিলে। চাদৰবিলাক খুব ধুনীয়া (nice)। তেওঁ আকৌ আহিম বুলি কৈছে। তুমি তেওঁৰপৰা কাপোৰ কিনিবা নেকি ?

4

কালিকৈ স্কুল খুলিব। আটাইবোৰ ল'ৰা স্কুললৈ আহিব। যি সকলে দূৰ ঠাইত ফুৰিবলৈ গৈছিল তেওঁলোকো ঘূৰি আহিব। আমাৰ স্কুলত এঘাৰজন শিক্ষক আছে। প্ৰধান শিক্ষক মহাশয় স্কুলৰ ওচৰতেই থাকে। তেখেতে আমাক খুব মৰম কৰে। তেখেতৰ পুতেক শৈলেন্দ্ৰ আমাৰ শ্ৰেণীত পঢ়ে।

5

শৈলেন্দ্ৰ খুব ভাল ল'ৰা। তেওঁলোক চাৰিজন ভাই ককাই। শৈলেন্দ্ৰৰ ককায়েক কলেজত পঢ়ে। কলেজৰ পঢ়া শেষ হ'লে তেওঁ আইন পঢ়িব। শৈলেন্দ্ৰ ডাঙৰ হলে ডাক্তৰ হব। মই কিন্তু আইনো নপঢ়োঁ ডাক্তৰো নহওঁ। মই ইঞ্জিনীয়াৰহে হম। কিমান যে নদীৰ ওপৰত ডাঙৰ ডাঙৰ দলং সাজিম! গোটেই দেশক মই শস্যশ্যামলা কৰি গঢ়ি তুলিম।

6

আমি অসমীয়া মানুহ। বিহু আমাৰ ঘাই (principal) উৎসৱ। বিহু আহিলে আমাৰ মনত ৰং লাগে (get delighted)। সুখী-দুখী, ধনী-দুখীয়া সকলোৱে বিহু উৎসৱ কৰে। বিহু তিনিটা; বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। বহাগ বিহুক ৰঙালী বিহু বোলে। এই বিহুত হুচৰি গায়, ৰং-ধেমালি কৰে আৰু নতুন কাপোৰ লয়।

7

অসম আমাৰ জনমভূমি! আমাৰ ভাষা অসমীয়া। অসমীয়া ভাষা অতি শুৱলা (pleasing to the ear)। অসমৰ মাটি সাৰুৱা (fertile)। ইয়াত ধান আৰু চাহ সৰহকৈ হয়। অসমৰ হাবিত (forest) ভাল কাঠ পোৱা যায়। এৰী (a kind of silk) মুগা আৰু পাটৰ কাপোৰ আমাৰ ইয়াত তৈয়াৰ হয়।

অসমৰ ৰাজধানী চিলং। চিলং নগৰ খাচিয়া পাহাৰৰ ওপৰত। জহকালি (in the summer) ইয়াত থাকিবলৈ ভাল। পুৰণি কালত অসমৰ নাম কামৰূপ আছিল।

8

সিংহ বৰ বলবান। ই কাকৈকো ভয় নকৰে। এই কাৰণে মানুহে ইয়াক পশুৰাজ বুলি কয়। সিংহ দীঘলে পাঁচ হাত আৰু ওখই তিনি হাত পৰ্যন্ত হয়। তাৰ নেজ (tail) দুই তিনি হাত দীঘল হয়, কিন্তু

সিংহীনীৰ সিমান ডাঙৰ নহয়। সিংহৰ ডিঙিৰ কেশৰ (mane) আছে। সিংহীনীৰ কিন্তু তাকো নাই।

(9)

সিংহই আহাৰৰ সময়ত নদী বা ঝৰণাৰ কাষত জোপোহাৰ আঁৰত চুপচাপ বহি থাকে। যেতিয়া কোনো জন্তু পানী খাবলৈ আহে, তেতিয়া দহ-বাৰ হাত দূৰৰপৰাই জঁাপ দি তাৰ ডিঙি (neck) আক্ৰমণ কৰে। একে জঁাপে ডিঙিৰ ওপৰত পৰিব নোৱাৰিলে, সিংহই আৰু আক্ৰমণ নকৰে। সিংহ অতিশয় ক্ষুধাৰ্ত (hungry) হলেও ক্ষুদ্ৰ অথবা দুৰ্বল (weak) জন্তুক ধৰি নাখায়।

(10)

অনেক দিনৰ আগৰ কথা। অযোধ্যাত এজন ৰজা আছিল; তেওঁৰ নাম দশৰথ। দশৰথ ডাঙৰ ৰজা আছিল। তেওঁৰ চাৰিজন পুতেক। তেওঁলোকৰ নাম যথাক্ৰমে ৰাম, ভৰত, লক্ষ্মণ আৰু শত্ৰুঘ্ন। লক্ষ্মণ আছিল ৰামৰ অনুগামী আৰু শত্ৰুঘ্ন আছিল ভৰতৰ। চাৰিও ভাই-ককাইৰ ভিতৰত অত্যন্ত সদ্ভাৱ আছিল।

(11)

ভাৰতবৰ্ষৰ ৰাজধানী দিল্লী। এই দিল্লীৰ ওচৰৰ হস্তিনাপুৰত এজন ৰজা আছিল। নাম আছিল তেওঁৰ বিচিত্ৰবীৰ্য। বিচিত্ৰবীৰ্যৰ দুজন পুতেক ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু। ধৃতৰাষ্ট্ৰ ডাঙৰ, পাণ্ডু সৰু। ধৃতৰাষ্ট্ৰ আছিল জন্মৰেপৰা অন্ধ, সেই বাবে সৰু হলেও পাণ্ডুৱেই হ'ল হস্তিনা-পুৰৰ ৰজা। ধৃতৰাষ্ট্ৰৰ পুতেকসকলক কৌৰৱ আৰু পাণ্ডুৰ পুতেক সকলক পাণ্ডৱ বোলা হৈছিল।

(12)

কুমাৰ ভাস্কৰবৰ্মা কামৰূপৰ এজনা বিখ্যাত ৰজা আছিল। এওঁৰ দিনত কামৰূপ ৰাজ্য পশ্চিমে বিহাৰ আৰু দক্ষিণে উড়িষ্যালৈকে বিস্তৃত

হৈছিল। আৰু বৰ উন্নত আছিল। এওঁ ৬০০ খৃষ্টাব্দৰপৰা ৬৫০ খৃষ্টাব্দলৈকে ৰাজত্ব কৰে। সেই সময়ত উত্তৰ ভাৰতত শিলাদিত্য নামে এজন বৰ ডাঙৰ ৰজা আছিল। তেওঁ বৰ ধাৰ্মিক আৰু ন্যায় পৰায়ণ (pious and just) ৰজা আছিল। এবাৰ তেওঁ বৌদ্ধসকলৰ এখন ধৰ্মসভা পাতে আৰু সেই সভালৈ বহুত দেশৰ ৰজাসকলক নিমন্ত্ৰণ কৰে। যদিও আমাৰ দেশৰ ৰজা ভাস্কৰবৰ্মা বৌদ্ধ নাছিল তথাপি তেওঁ সেই ধৰ্মসভালৈ নিমন্ত্ৰণ পাইছিল আৰু গৈছিল।

(13)

এই ধৰ্ম সভালৈ চিন দেশৰ এজনা পণ্ডিত আহিছিল। তেওঁৰ নাম আছিল হিউৱেনচাং। সভা শেষ হ'লত আমাৰ ৰজাই এই পণ্ডিত জনাৰ লগত কথা বতৰা পাতে আৰু তেওঁক কামৰূপলৈ নিমন্ত্ৰণ কৰে। ৰজাৰ নিমন্ত্ৰণ ৰক্ষা কৰি তেওঁ কামৰূপলৈ আহে। আমাৰ কামৰূপ ৰাজ্যখন তেওঁ ঘূৰি পকি চালে আৰু আমাৰ দেশৰ বিষয়ে এটা চমু টোকা লিখিলে। সেই টোকাত আমাৰ দেশৰ কথা তেওঁ এইদৰে লিখিছে— কামৰূপ ৰাজ্যখন বৰ ডাঙৰ। ইয়াৰ ৰাজধানীৰ নাম প্ৰাগ্‌জ্যোতিষপুৰ। এই দেশৰ মাটি সাৰুৱা (fertile) আৰু ইয়াত কঠাল (jackfruit) পোৱা যায়। বৌদ্ধ ধৰ্মৰ চিন এই দেশত নাই। কিন্তু হিন্দু দেৱদেৱীৰ মন্দিৰ বহুত আছে।

(14)

অসম প্ৰদেশখন পৰ্বতে ভৈয়ামে (plains) মিহিল (mixed)। পৰ্বতবোৰত খাচিয়া, নগা, গাৰো আদি পৰ্বতীয়া জাতিৰ (hilly tribes) মানুহ থাকে আৰু খাচ (bonafide) অসমীয়া মানুহ ভৈয়ামৰ সমান (plains) ঠাইবোৰত থাকে। এই দেশত বছৰৰ প্ৰায় আধাখিনি জাৰকালি (winter season) হয়। ইয়াত নিয়মিয়াকৈ বৰষুণ হৈ থাকে আৰু এইবাবে খেতি কৰিবলৈ সুচল (convenient)। ভাৰত-

বৰ্ষৰ ভিতৰত ব্ৰহ্মপুত্ৰ এখন ডাঙৰ নৈ। এই নৈ হিমালয় পৰ্বতৰপৰা নামি আহি অসমৰ মাজেদি সাগৰলৈ বৈ গৈছে।

(15)

অসমৰ ৰাজধানী ছিলং নগৰ। ই এখন স্বাস্থ্যকৰ ঠাই। এই সুন্দৰ নগৰখন খাচিয়া পৰ্বতৰ ওপৰত। ই সমতলৰপৰা পাঁচ হাজাৰ ফুট ওখ; অসমদেশ ঘাইকৈ (chiefly) চাহ খেতিৰ বাবে প্ৰখ্যাত। ইয়াত বহুত চাহ বাগিচা (tea garden) আছে। এই চাহ সকলো দেশৰ মানুহে খায়। সেইবাবে সকলো দেশতে অসমৰ নাম জনাজাত (known) হৈ পৰিছে। অসমত কেৰাচিন তেলৰ পুং (spring) আৰু কয়লাৰ খনিও আছে।

Translate into Assamese :

(1)

Harihar had three sons. Their names were Subodh, Prabodh and Madhav. Madhav was the youngest (সকলোতকৈ সৰু) and Subodh was the eldest of all (সকলোতকৈ ডাঙৰ). Madhav was ten years old and Subodh was twenty-five years. Harihar had lost his wife eight years back.

(2)

I am a son of a weaver (তাঁতী). I was born in a small village near Narayanganj. I had an elder brother and a younger sister, My father was very poor. He could not send us to school. But I had a great desire to learn to read and write. My father used to call me every morning to work at the loom. I did not like this work at all. So I tried to avoid him.

(3)

Almost all creatures can swim. Elephants, horses,

cows, buffaloes, dogs and other animals have not to be taught to do so. Everybody should learn to swim. Young boys and girls (ডেকা গাভৰু) can easily learn how to swim. Swimming is a very good exercise. It yields us much pleasure. It is very pleasant to swim in cold water in the summer.

(4)

India is the land of our birth (আমাৰ জন্মভূমি). So it is very dear to us all. It is a large country. There are many villages in it. There are also many cities and towns. But there are more villages than cities and towns. And we mostly live in the villages. So our villages are not less important than our cities and towns.

(5)

Kamal and Amal are two brothers. Kamal is older than Amal by three years. Kamal is twelve years old and Amal is nine. The elder brother loves the younger. Their father works in Calcutta. They live in a village with their mother. They came to Calcutta during the Puja festival. They went with their father to pay a visit to the Zoological Gardens. They were greatly delighted to see various large animals.

(6)

The Arabs who live in the deserts (মৰুভূমিত) are very fond of the date-palm and they call it "the king of trees" (বৃক্ষৰাজ). They have sufficient reasons for loving it so well, for there is no other tree to be seen in the vast sandy (বালিময়) tracts over which they wander about. But for the date-palm the Arabs could not live in the

desert at all. From it they get their food, drink, shade, wood and everything.

(7)

The dates serve them for food in several forms. They eat them fresh and they eat them dried. They take with their rice a syrup which they call date-honey (খেজুৰৰ মৌ). This is made from the fresh fruits. From this syrup they make wine and vinegar also. They do not cast away even the seeds (গুটি) of dates, but grind (গুৰি) them into a powder which is used by them instead of coffee.

(8)

The history of Assam in general is the history of the Brahmaputra Valley plus the hills that dote and surround it. The hills and the plains of this extensive valley though the hills were isolated from the plains as "Excluded areas" under British rule, possess an age-old tradition of common contact and history. The District of Cachar and the Lushai Hills are the two southernmost adjuncts of the state. The Khasi and Jaintia Hills, and the Garo Hills also thrown right across the state, as the backbone in human anatomy separate it into two broad divisions or major valleys on either side of them.

(9)

India is a sub-continent criss-crossed with mountains and valleys, woven into with diverse races and peoples of different ethnological affinities. Assam, likewise criss-crossed with mountains, valleys and an intricate river system, is the Indian Union's easternmost wing separated from the main land with distant and natural barriers. Here the hills are impenetrable and many, forests are luxuriant, rivers are numberless, and nature is prodigal.

LESSON 20

Specimens of Assamese Prose & Poetry

(1)

অ' মোৰ আপোনাৰ দেশ

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণি দেশ ।
এনেখন সুৰলা
এনেখন সুফলা
এনেখন মৰমৰ দেশ ।

অ' মোৰ সুৰীয়া মাত
অ' মোৰ সুন্দৰী মাত
পৃথিৱীৰ ক'তো
বিচাৰি নোপোৱা
জনমটো কৰিলেও পাত ।
অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই ।
চাই লওঁ এবাৰ
মুখখনি তোমাৰ
হেপাহ মোৰ পলোৱা নাই ।

—লক্ষ্মীনাথ বেজবৰুৱা

(2)

অসমৰ ঘৰুৱা শিল্প

ঘৰত থাকি হাতেৰে কৰা শিল্পকাৰ্যবিলাকক ঘৰুৱা শিল্প বোলে। প্ৰত্যেক জাতিৰে ঘৰুৱা শিল্প আছে। আমাৰ অসমীয়া জাতিৰো আছে।

অসমৰ ঘৰুৱা শিল্পৰ ভিতৰত এৰি, মুগা, পাট, কপাহৰ সূতা কটা, কাপোৰ বোৱা, কঁহ-পিতলৰ বাচন তৈয়াৰ কৰা, বাঁহ বেত আৰু কাঠৰ নানা বস্তু তৈয়াৰ কৰা, মাটিৰ বাচন তৈয়াৰ কৰা, লোৰ অস্ত্ৰশস্ত্ৰ তৈয়াৰ কৰা, সোণৰূপৰ অলঙ্কাৰ গঢ়া, হাতীৰ দাঁতৰ অলঙ্কাৰ আৰু আন আন বস্তু তৈয়াৰ কৰা আদিয়েই প্ৰধান।

কপাহ, এৰি, মুগা আৰু পাটৰ সূতা কাটি কাপোৰ বোৱা অসমীয়া জাতিৰ বিশেষ বৈশিষ্ট্য। সৰ্থেবাৰীৰ কঁহৰ বাচন আৰু হাজোৰ পিতলৰ বাচনে আজিও সমাদৰ লাভ কৰিয়েই আছে। বাঁহবেতৰ ঢাৰি, পাটী জাপি, কুলা, পাচি-খৰাহি, চালনী, বিচনী অসমীয়াৰ ঘৰে ঘৰে। চৰু, চাকি, কলহ, টেকেলি আদি মাটিৰ বাচন—দা, কোৰ, কটাৰী আদি লোৰ অস্ত্ৰ—সোণৰূপৰ আৰু হাতীদাঁতৰ অলঙ্কাৰ এতিয়াও আমাৰ মানুহে তৈয়াৰ কৰিয়েই আছে।

ওপৰত লিখা ঘৰুৱা শিল্পবিলাক নামত জীয়াই আছে যদিও বিশেষ উন্নতি সাধিব পৰা নাই। উন্নতি সাধিব নোৱাৰাৰ বহুত কাৰণ আছে। তাৰ ভিতৰত আমাৰ দৈনন্দিন জীৱনৰ বস্তুবোৰ কম মূল্যত পোৱা এটা প্ৰধান কাৰণ। ব্যৱসায় হিচাপে বৰ্তমান যুগৰ যান্ত্ৰিক বস্তুৰ লগত হাতেৰে তৈয়াৰ কৰা বস্তুৰ প্ৰতিযোগিতা নচলে। ফলত ঘৰুৱা শিল্পৰ প্ৰতি আমাৰ মানুহৰ শ্ৰদ্ধা নাইকিয়া হয়। বিদেশী নানা যান্ত্ৰিক বস্তুৰে বজাৰ উপচি পৰে। তাতে আকৌ আমাৰ দেশৰ ঘৰুৱা শিল্পবোৰ অতি দুখীয়া মানুহৰ হাতত। সেই কাৰণে তৈয়াৰ কৰা পদ্ধতিৰো বিশেষ পৰিবৰ্তন ঘটা নাই বা ঘটাবলৈ চেষ্টাও কৰা হোৱা নাই।

গতিকে ইয়াৰ উন্নতি সাধিবলৈ হলে চৰকাৰ আৰু ৰাইজ উভয়ে সঙ্ঘবদ্ধভাৱে চেষ্টা কৰিব লাগিব। সুখৰ বিষয় বৰ্তমান আমাৰ জনপ্ৰিয় গৱৰ্ণমেণ্টে বুনিয়াদী শিক্ষাৰ যোগে এই ঘৰুৱা শিল্পবোৰৰ উন্নতি সাধিবলৈ আঁচনি হাতত লৈছে। আঁচনি কাৰ্যত পৰিণত হলে দেশৰ উন্নতি হব। ৰাইজৰ উন্নতি কৰিবলৈ হলে ঘৰুৱা শিল্পৰ উন্নতি কৰিব লাগিব। ইয়াৰ ফলত নিবনুৱাৰ সংখ্যা কমি যাব। আৰু দেশৰো দৰিদ্ৰতা গুচিব।

(3)

কুণ্ডিল নগৰ

কুণ্ডিল নগৰ আতি মনোহৰ
দেখিলা ছিৰী গোপাল।
নানাবিধ ঘৰ আতি উচ্চতৰ
পৰম চাৰু চৌচাল॥
কতো গৃহ আছে সাজি শুদ্ধ কাছে
উপৰে ৰত্নৰ কাম।
যেন শুক্ল গিৰি আছে সাৰি সাৰি
দেখিবাক অনুপাম॥
বিচিত্ৰ কৰটি কাটি শিলাকুটি
গৃহৰ বান্ধিলা কাঠী।
তাতে নানা পট ঘট নট ভট
প্ৰকটি গঢ়িল হাঠী॥

... .

—শঙ্কৰ দেৱ

(4)

হৰবাৰ

অধমে কেৱলে দোষ লৱয়,
মধ্যমে গুণ দোষ লৱে কৰিয়া বিচাৰ।
উত্তমে কেৱলে গুণ লৱয়,
উত্তমোত্তমে অল্পগুণ কৰয় বিস্তাৰ॥

—মাধৱদেৱ

(5)

জনমভূমি

মেলিলোঁ প্ৰথম চকু
তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত।

মুদিম আকৌ চকু
তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।

মৰাৰ পিছতো যেন
পাওঁহি আকউ ঠাই
চেনেহৰ শীতলী কোলাত।

ভাগৰুৱা আতমাই
শেষৰ জিৰণি লই
জিৰাবহি তোমাৰ ছাঁয়াত।

পখী হই আকাশৰ
বুকুত ফুৰিম উৰি
বাহ ল'ম ওখ বিৰিখত।

পুৱঁতীৰ লগে লগে
জগাম তোমাক নিতে
বনৰীয়া সুৱদি গীতত।

আকাশৰ তৰা হই
ৰ'লাগি চাই ৰ'ম
সেউজীয়া শুৱনি জেউতি।

জোনাকত মিল হই
বিমান পথত ৰই
ওৰে ৰাতি কৰিম আৰতি।

হিমালয় পৰ্বতৰ
শুকুলা টিঙত গই
ফুলি ৰ'ম মানসী বিলত।

মলয়াৰ চোঁৱৰত
পাৰিজাত-ৰেণু সানি
ঢুৱাম তোমাৰ চৰণত।

নদী হই পখালিম
দুখানি চৰণ নিতে
মাটি হই মিলিম বুকুত।

সোণোৱালী মেঘ হই
ৰঙা হাঁহি বিৰিঙাম
শেঁতা পৰা দুখনি ওঁঠত।

তোমাৰ ই ধূলি-বালি
তোমাৰ আকাশ-বায়ু
আই, মোৰ স্বৰগৰ বাস।

তুমি মোৰ মৰতৰ
পুণ্য মুকুতিৰ ভূমি
তুমি মোৰ তীৰ্থৰ প্ৰবাস।

অ' মোৰ চেনেহী দেশ
তোমাৰ দুখীয়া পঁজা
ৰচা তাত শান্তিৰ স্বৰগ।

ক'ত পাম এনে প্ৰীতি
সৰল প্ৰাণৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ।

দুখীয়াৰ ভগা পঁজা
একোখনি তীৰ্থ ত'ত
একোখনি পুণ্যৰ আশ্ৰম।

মৰিলে পুনৰ আহি
দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।

—নলিনীবালা দেৱী

(6)

অসমীয়াৰ বিহু

বিহু আমাৰ অসমীয়াৰ জাতীয় উৎসৱ—বাপতি সাহোন। বিহু বুলিলেই সকলো অসমীয়াৰ মনত যেনেকুৱা আনন্দ হয় আৰু ডেকা-গাভৰুবিলাকৰ মন উত্ৰাৱল হয়, তেনেকুৱা আনন্দ আৰু উলাহ আন কোনো উৎসৱতেই নহয়। দুৰ্গোৎসৱ আজি অলপ দিনৰপৰাহে আমাৰ নগৰে নগৰে সোমাইছে। গাৱেঁ-ভূঞে এতিয়াও ভালকৈ সোমোৱা নাই। ইয়াৰ কাৰণ দুৰ্গোৎসৱ অসমীয়াৰ আগৰেপৰা চলি অহা উৎসৱ নহয়, কিন্তু বিহুৰ উৎসৱ হ'লে অসমীয়াৰ নিজা সম্পত্তি—ই অসমীয়াৰ হাড়ে-মগজুৰে লগা বস্তু।

আমাৰ অসমীয়াৰ বিহু তিনিটা। এটা কাতি মাহৰ পহিলা তাৰিখত, ইয়াক কাতি-বিহু বোলে।.........

মাঘৰ পহিলা তাৰিখৰপৰা সাত দিনলৈকে মাঘ বিহু। পুহ মাহৰ ভিতৰতে অসমীয়া মানুহে পথাৰৰ শালি ধান দাইমাৰি শেষ কৰে আৰু খেতিৰ উৎপাদন এই মহালক্ষ্মীগালেৰে চিৰা-পিঠা, সান্দহ ইত্যাদি ভোগ্যবস্তু বিহুৰ ছয়-সাত দিনমান আগৰেপৰা মাইকী মানুহে তৈয়াৰ কৰি ৰাখে।...

বহাগৰ পহিলা দিনত ৰাতিপুৱা শুই উঠিয়েই সকলোবিলাক মানুহে মূৰত মাহ-বটা গাত হালধি ঘঁহে। ঘৰৰ সমস্ত গৰুকে সেইদৰে মূৰত মাহ-হালধি দিয়ে আৰু জাক পাতি হাতত দীঘলতি, মাখিলতি, কুটা লাও-বেঙেনা লৈ গৰখীয়াইঁতে গৰুবিলাকক লৈ নৈ বা বিল পুখুৰীত গা ধুৱাই আনে। গা ধুৱাই ওলোটাই আনিবৰ সময়ত গৰুবিলাকক দীগলতি আৰু মাখিলতিৰে কোবায় আৰু লাও-বেঙেনাবিলাক গালৈ দলিয়াই দি দি গায়,—

দীগ্‌লতি দীঘল পাত, মাখি মাৰো জাঁত জাঁত।

মাৰ সৰু বাপেৰ সৰু, তই হবি বৰ গৰু।

লাও খা, বেঙেনা খা,

বছৰে বছৰে বাঢ়ি যা ॥

ইয়াৰ পিছত গৰুবিলাকক চৰিবলৈ এৰি দিয়ে। সকলো মানুহেই গা-পা ধুই-উঠি তলতীয়া জনে শ্ৰেষ্ঠজনক সেৱা কৰে। বয়সিয়ালসকলে "পূজা-সেৱা নাম-প্ৰসঙ্গ" কৰে। তাৰ পিছত মাতৃ, ভনী, স্ত্ৰী, কন্যা ইত্যাদি সকলোৱে জনে জনে যাৰ সাধ্য গামোচা, চেলেং বা বৰকাপোৰ গিৰিহঁতক, ল'ৰা-ছোৱালীক আন কি ইষ্ট-কুটুম্বকো দিয়ে। তাৰ পিছত সকলোৱে জা-জলপান খাই অলপ জিৰোৱা হ'লেই ওপৰ অসমত ডেকা-গাভৰুৱে পথাৰত বিহু গায় গৈ! নামনি অসমত ঢোপ, হাউ-গুডু-গুডু ইত্যাদি খেলে। ঘৰত থকাসকলে কড়ি খেলে, ভাটী-বেলা দৈবজ্ঞ ব্ৰাহ্মণসকলে ঘৰে ঘৰে নতুন পঞ্জিকা শুনায়। ব্ৰাহ্মণসকলে নাহৰ গছৰ পাতত এই মন্ত্ৰটো লেখি ঘৰে ঘৰে দিয়ে।

দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ।

বাত-বৃষ্টি হৰ দেৱ মহাদেৱ নমস্তুতে ॥

এই নাহৰৰ পাত ঘৰৰ ছালত খুহি ৰাখে। গধূলি হ'লে গৰুবিলাকক আগৰেপৰা যতনাই থোৱা নতুন পঘাৰে বান্ধে। গোহালিৰ আগত তুঁহ, কপাহ-গুটি, দীগ্লতি, মাখিলতি ইত্যাদিৰে এটা ধোঁৱাৰ জাগনি দিয়ে। সেই জাগনি নতুন বিচনীৰে বিচে। জাগনি বিচিলেহে হেনো নতুন বিচনী শুদ্ধ হয়। শুদ্ধ হলেহে সেই বিচনীৰ বা মানুহে লয়। দ্বিতীয় বিহুৰ দিনা গধূলি হুচৰি গোৱা দলবিলাকে ঘৰে ঘৰে হুচঁৰি গাই ফুৰে। ডেকাগাভৰুৱে সাতো দিনে পথাৰত, নৈৰ বালিত, জোপোহাৰ আঁৰত বিহু গাই নাচি বাগি ফুৰে। সাত বিহুৰ দিনা ওপৰ অসমত বিহুৰ নাচ গীত কৰি গধূলি বিহু ভাঙে।······

(সংক্ষিপ্ত)

ৰজনীকান্ত বৰদলৈ

(7)

ভাৰতবৰ্ষ

কোন্ অনাদিৰ আদিত যিদিন বিদাৰী সুনীল সিন্ধু-বক্ষ
উঠিল জননী পতিত-পাৱনী হৰষিত কৰি দেৱতা লক্ষ।
কত তপস্যাৰ মূৰত স্ৰষ্টা স্ৰজিলে জননী ভাৰতবৰ্ষ
ইকি অপৰূপ! শুভ্ৰ শিৰেৰে সুনীল গগণ কৰিলে স্পৰ্শ।

নিজেই সৰজি নিজে আচৰিত বিধাতাই দেখি মহান সৃষ্টি
সন্তোষ দেৱ অমৃত নেত্ৰে জননী-বয়ান কৰিলে দৃষ্টি।
সুজলা-সুফলা শস্য-শ্যামলা সেয়েহে জননী ভাৰতবৰ্ষ
নিজ মহিমাৰ গুণ-গৰিমাৰে কোটি মানৱৰ বিধানে হৰ্ষ।

চৰণত ৰাজে সুনীল সিন্ধু, বক্ষ শ্যামল শস্যে ভৰা,
শুভ্ৰ কিৰীটি হিমাদ্ৰিচূড়াৰ ওপৰত নীল চন্দোৱা তৰা।
উদাৰ বক্ষ শোভিছে লক্ষ দেৱতা দানৱ অসুৰ নৰ
নাই ভেদাভেদ মহামিলনৰ পাহৰে ইয়াত আপোন পৰ।

ব্ৰহ্মপুত্ৰ গঙ্গা যমুনা শোভিছে সিন্ধু কণ্ঠহাৰ
দেৱ-বাঞ্ছিত বঙ্গভূমিত উজলি শতেক ফটিক ধাৰ।
দক্ষিণে ৰাখে অপাৰ সিন্ধু উত্তৰে গিৰি হিম-অচল
ৰাখিছে লঙ্ঘিব আকাশ-মাৰ্গ বিশাল দেহৰ প্ৰকাশি বল।

—শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা

(8)

সময়

সময়ৰ টিকনিডাল হেনো আগফালে। কাজেই সময়তকৈ দুখোজ সদায় আগবাঢ়ি যাব নোৱাৰিলে সময়ে পাখি লগা কাঁড়ৰ দৰে উৰা মাৰিব খুজিলে পাছফালৰপৰা সেই টিকনিত ধৰি ৰখা টান হয়। এই কাৰণেই জ্ঞানী আৰু কৰ্মীলোকে নিৰ্ধাৰিত সময়ৰ দুই-চাৰি মিনিট আগেয়ে হলেও প্ৰস্তুত থাকে। "ইস্, চকুৰ আগতেই ৰেলখন এৰিলে" বুলি আধা মিনিট সময় বেলি কৰি দিনটো ষ্টেশনত ৰৈ থাকিব লগীয়া হোৱা ঘটনাও নঘটা নহয়। নিৰ্ধাৰিত সময়ত উপস্থিত হ'ব নোৱাৰাত অৰ্থহানি, মনস্তাপ হোৱা দৃষ্টান্তও পোৱা যায়। পাছৰপৰা বল দিয়া সেনা গৈ পোৱাত পাঁচ মিনিট পলম হোৱা বাবেই দিগ্বিজয়ী নেপোলিয়নে ৱাটাৰ্লু যুদ্ধত ঘাটিল বুলি কোৱা আছে। যুদ্ধ-বিগ্ৰহত সময়ৰ মূল্য দিহে জয়ী হ'ব পাৰি, এই কথা ভালদৰে হৃদয়ঙ্গম কৰি লাচিতে মোমায়েকৰ মূৰটো কাটিও কাৰ্যসিদ্ধি কৰিছিল। সেইকথা বুজিছিল বাবে লাচিত আজি মৰিও অমৰ।

সময় অমূল্য ধন বোলা কথাষাৰ সঁচা। একোজন ধনকুবেৰে এক মিনিটত হাজাৰ হাজাৰ টকা উপাৰ্জন কৰে। একোজন মানুহে হয়তো গোটেই জীৱনটো একেলগে হাজাৰ টকা চকুৰে নেদেখে। ঘোঁৰাচেকুৰত এক মুহূৰ্তৰ আগতে অহা ঘোঁৰাৰ গিৰিহঁতে লক্ষ লক্ষ টকা পোৱাৰ দৃষ্টান্ত আছে। ঘণ্টাত কুৰি মাইল যোৱা লৰী-মটৰ এখনৰ উপাৰ্জনত ঘণ্টাত দুমাইল যোৱা গৰু গাড়ীখনৰ সমান হ'ব নোৱাৰে। ঘনাই মাকোটো মাৰিব পৰা শিপিনীয়ে দিনটোত উলিওৱা দুখন গামোচাৰ মূল্য তিনিবাৰ টোঁৱাই মাকোমাৰি দিনটোত উলিওৱা এখন গামোচাৰ মূল্যতকৈ নিশ্চয় বেছি। পৰীক্ষাত প্ৰশ্নকাকত পিটিকি থাকি সময় নষ্ট কৰা পৰীক্ষাৰ্থীতকৈ তলৰ সূৰ ওপৰ কৰিবলৈ সময় নোপোৱা পৰীক্ষাৰ্থীয়ে নম্বৰ বেছি পাবই পাব।

সময়ৰ শৰ মাৰিব নাজানিলে শৰ পছুৰ মঙহ খাবলৈ আশা কৰা মিছা; সেই শৰে শহা এটাকো মাৰিব নোৱাৰে। ভোক চৰি যোৱাৰ পিছত মাছে মঙহে এগাল খালেও পিত্তৰ বাহ গুচোৱা টান। বতৰ চাই কঠিয়া নেপেলালে জেঠৰ বাৰখৰত সিঁচিলে গুণ নধৰে। চোৰে সিন্ধি দি বৰ পেৰাটো উলিয়াই নিয়াৰ পিছত সিন্ধিৰ মুখত চোৰ ধৰিবলৈ থাপ দি থাকিলে বয়বস্তু উলিয়াই লৈ পথাৰৰ মূৰত পেলাই থৈ যোৱা সুদা পেৰা-টোকে পোৱাৰ আশা নাথাকে। ৰোগে দেখা দিওঁতেই দুপালি ঔষধৰ ব্যৱস্থা নকৰিলে ৰোগীক তুলসীগুৰিলৈ উলিয়াই ধন্বন্তৰি মাতিলেও কাম নিদিয়ে। কৰ্মীলোকৰ সময়ৰ ভাগবিলাক দেখিলে আচৰিত হ'ব লাগে।

মহাত্মা গান্ধীৰ চৌবিশ ঘণ্টাৰ কাৰ্যতালিকা চালেই এই কথাৰ গম ধৰিব পাৰি। পৰুৱাৰ দৰে লা-নি নিছিগা কামেও তেওঁক জুমুৰি দি ধৰিব নোৱাৰে। এওঁলোকৰ মানত সময়ৰ সুৰুঙা বোলা ঠাই এডোখৰ নাই। সুৰুঙা থাকিলেও সি ভগা বেৰৰ জলঙা নহয়, বাঁহীৰ ফুটা কেইটাহে। বাঁহীত মুখ দিয়া মাত্ৰেই আঙুলিবিলাক তাত নাচি উঠি সপ্তস্বৰৰ ঢৌ তুলি দিয়ে। বিশ্ৰাম বোলা কথাটো তেওঁলোকৰ মানত বিশেষ ৰকমৰ শ্ৰমহে, তাৰপৰা বিৰতি নহয়। তেওঁলোকে কৰ্মৰপৰা অব্যাহতি নোলোৱা সাধাৰণ দুদিনীয়া জীৱন যাপন কৰিও অনন্ত সময়ক কৰ্ম গ্ৰন্থিৰে বান্ধি অনন্ত কাললৈ অমৰধাম লাভ কৰে। সময়ৰ জোখ কামতহে, ঘড়ীৰ কাঁইট কেইডালত নাই।

[সংক্ষিপ্ত]

—শ্ৰীনীলমণি ফুকন

(9)

অৱশেষ

ফুলিল মালতী ফুল সৰি পৰি গ'ল ।
বিলোৱা সৌৰভ মাত্র জগতত ৰ'ল ॥
ভাগি গ'ল বীণখনি, ছিগি গ'ল তাঁৰ ।
ৰই গ'ল অৱশেষ অমিয়া জোঁকাৰ ॥
পঞ্চত্বত লীন হ'ল তৰুণী সুন্দৰী ।
মধুৰ হাঁহিটি মাথোঁ থাকি গ'ল পৰি ॥
মাৰ গ'ল দ্বিতীয়াৰ জোনৰ জীৱন ।
থাকি গ'ল মধুৰতা কিৰিশ কিৰণ ॥
সন্ধিয়াৰ ধীৰ বায়ু ধীৰে গ'ল বলি ।
মৃদুল হিল্লোল ৰ'ল হৃদয় আকুলি ॥
আকাঙ্ক্ষাৰ অধীৰতা, উদ্বেগ হিয়াৰ ।
বাসনাৰ অতৃপ্ততা, আশাৰ নিকাৰ ॥
লাহে লাহে আঁতৰিল, ৰ'ল প্রতিধ্বনি ।
সুৰাগ সমল গ'ল, থাকিল বিননি ॥
ধন গ'ল, জন গ'ল, গ'ল কায়-ক্লেশ ।
সুখ্যাতি-অখ্যাতি ৰ'ল আত্মা অৱশেষ ॥

—লক্ষ্মীনাথ বেজবৰুৱা

LESSON 21

How to write letters in Assamese

(চিঠি লিখা পদ্ধতি)

Like English Assamese letters are also of various kinds, and there is a fixed form or framework for most kinds of letters.

This form consists of several parts, such as :—

(1) Heading of the letter (writer's address or place and date—শিৰোনামা, লিখকৰ ঠিকনা আৰু তাৰিখ)

(2) The greeting or salutation (সম্বোধন বা সম্ভাষণ)

(3) The body of the letter (মূল চিঠি)

(4) The subscription or end (চিঠিৰ উপসংহাৰ)

(5) Signature (চহী)

(6) The superscription (name and address of the person written to—চিঠি পাওঁতাৰ নাম আৰু ঠিকনা)

(1) The heading of the letter should be written on the right top of the writing paper.

(2) The greeting or salutation :—

Begin your letter, by greeting or saluting the person you write to, on the left-hand side—a little below the heading.

In Assamese শ্ৰীচৰণেষু, শ্ৰীচৰণকমলেষু, পূজনীয়, etc., are used in case of a letter written to one's father, mother or highly regarded superiors. মাননীয়েষু, শ্ৰদ্ধাস্পদেষু, etc. are

used to superiors or respectable persons in general. In equal status the use of মৰমৰ, প্ৰীতিভাজনেষু etc. are common. To write to the juniors or affectionate ones of younger age কল্যাণীয়, কল্যাণীয়েষু, মৰমৰ etc. are used.

In business-letters, applications and letters to unknown persons মহাশয়, প্ৰিয় মহাশয়, সবিনয় নিবেদন etc. are used commonly.

(3) Now begin the 'body of the letter' just below the salutation and in a new paragraph (i. e., leave a little space on the left-hand side.)

If the letter happens to be a long one, divide it into paragraphs.

(4) Subscription of the letter should be written at the end of the letter on the right-hand side. In letters written to superiors সেৱক, সেৱিকা, মৰমৰ, etc. are commonly used.

In letters written to persons of equal status আপোনালোকৰ, তোমালোকৰ, শুভাকাঙ্ক্ষী, বিনীত, etc. are written. In letters to juniors and affectionate persons আশীৰ্বাদক, আশীৰ্বাদিকা, মঙ্গলাকাঙ্ক্ষী etc. are used.

(5) Then comes the signature of the writer.

(6) At last the address of the person written to should be written on the post cards or envelopes.

Some salutations and subscriptions :

Salutations	*Subscriptions*
(i) To father, uncle, elder brother etc.—	
শ্ৰীচৰণেষু, শ্ৰীচৰণকমলেষু, পূজনীয়,	সেৱক, সেৱিকা
পৰম পূজনীয়, পূজ্য etc.	প্ৰণত, প্ৰণতা, মৰমৰ etc.

(ii) To mother, aunt, elder sister etc.—

শ্ৰীচৰণেষু, শ্ৰীচৰণকমলেষু, পূজনীয়া, পৰম পূজনীয়া, পূজ্যা etc.

সেৱক, সেৱিকা, প্ৰণত, প্ৰণতা etc.

(iii) To a son, younger brother etc.—

কল্যাণীয়, কল্যাণীয়েষু, কল্যাণবৰ, স্নেহাস্পদ, মৰমৰ etc.

আশীৰ্বাদক, আশীৰ্বাদিকা, শুভচিন্তক, কল্যাণাকাঙ্ক্ষী, কল্যাণাকাঙ্ক্ষিণী etc.

(iv) To a daughter, younger sister—

কল্যাণীয়া, কল্যাণীয়াসু, মৰমৰ etc.

(v) To respectable persons—

শ্ৰদ্ধেয়, শ্ৰদ্ধাস্পদ, শ্ৰদ্ধাস্পদেষু, শ্ৰদ্ধাভাজন, মাননীয়, মাননীয়েষু etc.

বিনীত, বিনীতা আপোনা-লোকৰ, নিবেদক, নিবেদিকা মৰমৰ etc.

(vi) To respectable women—

শ্ৰদ্ধেয়া, মাননীয়াসু etc.

(vii) To persons of the same rank—

প্ৰীতিভাজন, প্ৰীতিভাজনেষু, প্ৰিয়বৰ, প্ৰিয়বৰেষু, প্ৰিয় etc.

আপোনালোকৰ, তোমা-লোকৰ, বিনীত, নিবেদক, নিবেদিকা etc.

(viii) To unknown persons, business concerns etc.—

প্ৰিয় মহাশয়, প্ৰিয় মহোদয়, মাননীয় মহোদয়, সবিনয় নিবেদন etc.

আপোনালোকৰ, বিশ্বাসী etc.

Specimens of Letters.

Son's letter to his mother.

যোৰহাট, অসম

২৫।২।৭১

শ্ৰীচৰণকমলেষু—

শ্ৰীযুক্তা আই,

বহুত দিনৰপৰা আপোনালোকৰ কোনো খা-খবৰ নাপাই চিন্তাত আছোঁ। চিঠি পোৱাৰ লগে লগে সকলোৰে কুশল বাতৰি জনাই নিশ্চিন্ত কৰিব। দেউতা আৰু ককাইদেউক মোৰ প্ৰণাম জনালোঁ। মই মন দি পঢ়া-শুনা কৰিছোঁ। পূজাৰ বন্ধত এইবাৰ ঘৰলৈ যাব নোৱাৰিম—কিয়নো তেতিয়া হলে পঢ়া-শুনাৰ ক্ষতি হব। বছৰেকীয়া পৰীক্ষাৰ পিছত ডিচেম্বৰ মাহত কেইদিনমানৰ কাৰণে যাব পাৰোঁ। আপোনালোকৰ কাৰণে মনটো কেনেবা কেনেবা কৰে। গৌতম আৰু পৰেশক মৰম দিলোঁ, আপুনি মোৰ ভক্তিপূৰ্ণ প্ৰণাম গ্ৰহণ কৰিব।

ইতি—

সেৱক বিনয়

A letter from an elder brother to his younger one.

কল্যাণীয়—

মৰমৰ গোপাল,

তোমাৰ চিঠি ঠিক সময়তে পাইছোঁ। তুমি পৰীক্ষাত দ্বিতীয় হৈছা বুলি শুনি খুব ভাল লাগিল। অহা বছৰ যাতে প্ৰথম হব পাৰা তাৰ চেষ্টা কৰিবা। তোমাৰ পৰীক্ষাৰ খবৰটো শুনি মা খুব আনন্দিত হৈছে। কালি তেখেতে মন্দিৰত পূজা দি আহিছে।

২।১ দিনৰ ভিতৰতে তোমালৈ ৫০'০০ টকা পঠিয়াম। স্কুলৰ মাচুল আদায় কৰি দিবা আৰু যি এখন দুখন কিতাপ কিনিবলৈ বাকী আছে তাক কিনিবা।

আই ভালে আছে। সকবিলাক সকলোৰেই তোমাৰ কাৰণে পাগল। মিনু, পিণ্টু আৰু নমিতাই সদায়ে তোমাৰ কথা কৈ থাকে। গৰমৰ বন্ধত আহিবা।

আশীৰ্বাদ লবা। হোষ্টেলৰ অন্য বন্ধুবোৰৰ লগত মিলি-জুলি সাৱধানে থাকিবা। ইতি—

তোমাৰ

কাকাইদেউ

A letter to a Bookseller.

পোঃ আঃ—আমগুড়ি

জিলা—নগাঁও, অসম

মহাশয়,

অনুগ্ৰহ কৰি তলত লিখা কিতাপবিলাক যথাসম্ভৱ ভি. পি. ডাকযোগে ওপৰৰ ঠিকনাত পঠাই বাধিত কৰিব। আপোনালোকৰ দোকানৰ এখন কিতাপৰ তালিকাও ইয়াৰ লগতে পঠাব। ইতি—

আপোনাৰ বিশ্বাসী

অভিজিৎ ভট্টাচাৰ্য

কিতাপৰ নাম

১। আচাৰ্য বিনোবা—বিধুভূষণ দাসগুপ্ত

২। গীতা প্ৰৱচন—বিনোবা

৩। Divided India—Dr. Rajendra Prasad

৪। মোৰ সত্য অন্বেষণৰ কাহিনী—মহাত্মা গান্ধী

APPENDIX

[*A list of words commonly used in Assamese.*]

অইন (ain)—another.

অঁকৰা (añkarā)—dumb, stupid.

অঁৰা (añrā)—four.

অকণ (akaṇ)—a particle.

অকল (akal)—single, lonely.

অকাই পকাই (akāi pakāi)—in a round-about way.

অকামিলা (akāmilā)—unskilful.

অকাৰী (Akārı)—uncleaned.

অগাপিছা (agāpisā)—one after another.

অঁচা (añsā) to wash the mouth.

অচিৰতে (asiratē)—soon, before long.

অজলা (ajalā)—simple.

অজাতীয় (ajātıya)—outcaste.

অজান (ajān)—unknown.

অজ্ঞান (ajñān)—ignorant.

অঠাবৰ (aṭhāvar)—uncertain, doubtful.

অতিকৈ (atikoi)—too much, excessive.

অতিপাত (atipāt)—excessive.

অথনি (athani)—a short time before now.

অথিৰ (athir)—unsteady, restless.

অনা (anā)—to bring.

অনাথিতি (anāthiti)—helpless.

অনিয়া-অনি (aniyā-ani)—rivalry.

অপৈণত (apoinat)—not ripe.

অবাইচ (abāich)—obscene.

অবিকল (abikal)—exact.

অবিহনে (abihanē —in the absence of.

অবুজ (abuj)—stupid.

অবেকত (abekat)—unknown, unrevealed.

অবৈয়াল (abaiyāl)—rough tempered.

অভগন (abhagan)—inexhaustible.

অভং (abhang)—self-willed, obstinate.

অভঁজা (abhañjā)—ugly.

অমাত (amāt)—speechless, dumb.

অমানুহ (amānuh)—unworthy man, coward.

অযুগুত (ajugut)—improper.

অৰখীয়া (arakhīyā)—having nobody to look after.

অৰা (arā)—distance, extremity.

অৰিয়া-অৰি (ariā-ari)—rivalry.

অলপ (alap)—a small portion or quantity, a little.

অলপতে (alapatē)—recently.

অলপমান (alapmān)—a small portion.

অলৰ (alar)—unchangeable, motionless.

অলৈ তলৈ (aloi-taloi)—hither and thither.

অশলাগ (ahalāg)—ingratitude.

অশলাগী (ahalāgi)—ungrateful.

অশুৱনি (ahuvani)—ugly.

অসজ (ahaj)—bad, vile.

অসুচল (ahuchal)—inconvenience.

অহা (ahā)—to come.

অহা-যোৱা (ahājovā)—coming and going.

আই (āi)—mother.

আইচু (āisu)—an address to an Ahom lady.

আইটী (āitī)—a term of affection used in addressing a girl.

আইতা (āitā)—word used by the Ahoms in addressing mother.

আউল (āul)—disorder.

আও (āo)—an exclamation of surprise.

আওলা (āolā)—the eaves of a house.

আংবাং (āngbāng)—stupid.

আঁচোৰ (āñchor)—a scratch.

আঁঠু (āñṭhu)—the knee.

আঁঠুৱা (āñṭhuā)—mosquito curtain.

আঁৰ (āñr)—a screen.

আকলুৱা (ākluvā)—famine-stricken.

আকাল (ākāl)—famine, scarcity.

আকোলা-আকুলি—mutual-embracing.

আক-তাক (āk-tāk)—uncertain person.

আখৰ (ākhar)—a letter of the alphabet.

আখৰুৱা (ākhruvā)—literate.

আখল (ākhal)—the cookroom.

আখা (ākhā) / চৌকা (choukā) — a support for the cooking vessels.

আখি (ākhi)—knot of a bamboo or a tree, eye.

আখৈ (ākhai)—fried paddy.

আগ (āg)—front, top.

আগতীয়া (āgatīyā)—early, prior.

আগতে (āgate)—in front of, some time back.

আগৰ (āgar)—former.

আগলি (āgali)—forepart.

আগলৈ (āgaloi)—forward, in future.

আঘণ, আঘোণ—the eighth month of the Assamese year.

আচামী (āsāmi)—a defendant.

আজলা (ājalā)—simple, ignorant.

আজোখ (ājokh)—disproportionate.

আটাই (āṭāi)—all, whole.

আটিল (āṭil)—hard and tight.

আঠ (āṭh)—eight.

আঠা (āṭhā)—paste, gum.

আঠালতীয়া (āṭhālatiā)—sticky.

আঠাৱন (āṭhāvan)—fifty-eight.

আঢৈ (āṛhoi)—two and a half.

আতা (ātā)—grandfather.

আতাৰি (ātāri)—unfriendly.

আতৈ (ātoi)—a religious devotee.

আতৌ পুতৌ (ātou putou)—affection, regard.

আথানী (āthāni)—homeless.

আথান্তৰ (āthāntar)—danger.

আদাহীয়া (ādāhiyā)—middle age.

আধৰুৱা (ādhruā)—half-finished.

আধা (ādhā)—one-half.

আন (ān)—other.

আনকাল (ānkāl)—at other times.

আনাঘুনা (ānāghunā)—rumour.

আনালী (ānālı)—helpless.

আনোতা (ānotā)—one who brings.

আপচু (āpachu)—ugly, nasty.

আপডাল (āpḍāl)—act of tending or looking after.

আপুনি (āpuni)—you (respectful)

আপোন (āpon)—own, self.

আফচোচ্ (āfsos)—repentance.

আফাল (āfāl)—strike violently.

আফাল মাৰ (āfāl mār)—to throw violently.

আবাদ (ābād)—cultivation.

আবিয়ৈ (ābioi)—unmarried.

আবু (ābu)—grandmother

আবুৰ (ābur)—privacy, secrecy.

আবেলি (ābeli)—afternoon.

আমি (āmi)—we.

আয়ত (āyata)—long, extended.

আয়তী (āyatī)—a woman with her husband living.

আয়না (āyanā) } mirror.
আৰ্চী (ārsī)

আৰু (āru)—and.

আলফুল (ālphul)—very tender.

আলগ্ (ālag)—separate.

আলচ্ (ālas)—advice, consultation.

আলহী (ālabī)—guest, visitor.

আলি (āli)—a ridge, road.

আলৈ বিলৈ (ālai bilai)—misery.

আহলবহল (āhalbahal)—sufficiently spacious.

ইটা (iṭā)—brick.

ইন্দুৰ, এন্দুৰ (indur, endur)—a rat.

ইস্পাট (ispaṭ)—steel.

উখৰা (ukharā)—dry, hot tempered.

উখহ (ukhah)—swell.

উজনি (ujani)—the upper part of a stream.

উজলা (ujalā)—prominent, upraised.

উজু (uju)—easy.

উদং (udang)—open, empty.

উপশব্দ (upahabda)—an article.

উপাৰি (upāri)—digging up.

উবুৰি (uburi)—fallen or lying with the face downwards.

উভং (ubhang)—shameful, improper.

উভতি (ubhati)—annoyance.

উম (um)—warmth.

উমল (umal)—play like a child.

উৰণ (urān)—act of putting on.

উৰুলি (uruli)—a shout uttered by women on joyful occasions.

উলাহ (ulāh)—delight, pleasure.

উলিয়া (uliā)—to bring out.

এইপোনে (eiponē)—by this side.

এতিয়া (etiā)—now, at present.

এদিনা (edinā)—another day.

এনে (ēnē)—such.

এপিঠীয়া (epiṭhiā)—pertaining to one side.

এৰ (er)—to abandon.

এৰা (erā)—yes.

এৰা (erā)—to escape, left behind, refused.

এৰাএৰি (erāēri)—separation from each other.

এৰী (erī)—a species of silk-worm.

এলাগী (elāgī)—ugly.

এলাপেচা (elāpechā)—ordinary, negligible.

এলেহুৱা (elēhuwā)—lazy,slothful

এসাঁজীয়া (ehañjiā)—eaten once a day.

এহতীয়া (ehatiā)—having one hand only.

ওকণী (okaṇi)—a louse.

ওখ (okh)—high, tall.

ওচৰ (ochar)—near, close.

ওজৰ (ojar)—objection.

ওঠৰ (oṭhar)—eighteen.

ওভোতা (obhotā)—upside down, contrary.

ওৰ (ōr)—end, termination.

ওৰে দিন (ōrē din)—throughout the whole day.

ওলগনি (olgani)—act of bowing down in respect.

ওলা (olā)—to come out, to come to light.

কঁটীয়া (kanṭīā)—a dwarf.

ককাই (kakāi)—an elder brother.

কঁহাৰ (kañhār)—a bell-metal worker.

কচৰৎ (kasrat)—physical exercise

কটা (kaṭā)—to cut.

কণা (kaṇā)—without the faculty of seeing.

কণী (kaṇī)—an egg.

ক'ত (kot)—where.

কপলীয়া (kapalīā)—fortunate.

কপৌ (kapau)—dove.

কমবেছি (kambesi)—more or less

কমাৰ (kamār)—blacksmith.

কিতাপ (kitāp)—book.

কিনা (kinā)—to buy.

কিবা (kibā)—uncertain,

কোবাল (kobāl)—prompt.

কোমোৰা (komorā)—a pumpkin.

কোৱা (kowā)—a male crow.

খং (khang)—anger, rage.

খঙাল (khangāl)—of angry temper.

খজুলি (khajuli)—itches.

খদৰ (khadar)—khaddar, hand woven cloth of handspun yarn.

খৰকালি (kharkāli)—the dry season.

খৰাং (kharāng)—dry, not fertile.

খৰি (khari)—firewood, fuel.

খলিহৈ (khalihoi)—oilcake.

খাং (khāng)—a kind of small basket.

খাচীয়া (khāsiā)—a hill tribe inhabitating the Khasi Hills.

খাজুৰ (khājur)—the date.

খান্দ (khānda)—to dig.

খালাচ্ (khālās)—release.

খাহী (khāhī)—a castrated goat.

খুদ (khud)—broken rice.

খুৰা (khurā)—uncle.

খুলশালি (khulkhāli)—brother-in-law.

খুলশালী (khulkhālī)—sister-in-law.

খুৱা (khuā)—to feed.

খেদা (khēdā)—to drive off.

খোৰা (khorā)—a lame man.

গছ (gachha)—a tree.

গধুৰ (gadhur)—grave, important.

গয়াল (gayāl)—proud.

গৰখীয়া (garakhīyā)—a cowherd.

গৰা (garā)—a river bank.

গৰাকী (garākī)—a certain person

গা (gā)—the body, to sing.

গাঁত (gañt)—a hole.

গাঁৱলীয়া (gāñvaliyā)—a villager, rural, rustic.

গাধ (gādh)—an ass.

গা-মুৰি (gāmuri)—act of stretching the limbs.

গামোচা (gāmosā)—a napkin.

গিলাচ (gilās)—glass.

গুণা (guṇā)—a wire.

গোহালি (gohāli)—a cowshed.

ঘটী (ghaṭı)—bowl, a metallic water-pot.

ঘন (ghana)—thick, dense.

ঘনে ঘনে (ghanē ghanē)—repeatedly.

ঘাঁহ (ghañh)—grass, fodder.

ঘাই (ghāi)—chief, principal.

ঘাইল (ghāil)—wounded.

ঘাৰ (ghār)—the back of the neck.

ঘিণ (ghin)—hatred.

ঘিউ (ghiu)—ghee, clarified butter.

ঘুমটি (ghumṭi)—sleep, nap

ঘুমা (ghumā)—to sleep.

ঘূৰণি (ghūraṇi)—act of revolving.

ঘূৰণীয়া (ghūraniyā)—round, circular.

ঘূৰা (ghūrā)—to revolve.

ঘূৰাই আন (ghūrāi ān)—to bring back.

ঘূৰি ঘূৰি (ghūri ghūri)—again and again.

ঘৈণী (ghaiṇi)—wife, housewife.

ঘোঁৰা (ghoñrā)—horse.

ঘোঁৰাশাল ghoñrābāl)—a stable.

ঘোলা (gholā)—muddy, dirty.

ঘোপ (ghop)—a small dark place.

ঘোৰ (ghor)—frightful.

ঘোষা (ghoshā)—a chorus.

চকচকীয়া (chakchakiyā)—glittering.

চকল্, চকলা (chakal, chakalā)—a slice.

চকু (chaku)—the eye.

চক্ৰবাল (chakrabāl)—the horizon.

চচমা (chasmā)—spectacles.

চটি, চটি-জোতা—slipper.

চন (san)—year, era.

চন্দুক (sanduk)—a box, a chest.

চন্দুৱা (sanduā)—to put to shame.

চফা (safā)—clean.

চমিকি (samiki)—immediately.

চমু (chamu)—adjacent, brief.

চয়তান (shōytān)—a devil.

চৰকা (charakā)—a spinning wheel.

চৰম (charam)—shame.

চৰাই (charāi)—a bird.

চৰাই ঘৰ (sarāighar)—a rest house.

চৰিক (sarik)—a partner.

চৰ্দাৰ (sardar)—a headman.

চৰ্দি (sardi)—cold, chill

চৰ্বত (sarbat)—a cool drink.

চলোঁতা (chaloñtā)—an active man.

চহী (sahī)—signature.

চা (chā)—to look at, to see.

চাকৰ (chākar)—servant.

চাগৈ (sāgai)—perhaps

চাবি (chābi)—a key.

চামুচ (chāmus) a spoon.

চাৰি (chāri)—four.

চালতামামি—an annual account.

চাহ (sāh)—tea.

চিকণ (sikan)—fine, smooth.

চিকাৰ (sikār)—hunting.

চিনা (chinā)—to introduce.

চিয়াহী (chiāhī)—ink.

চুক (chuk)—a corner, an angle.

চুকলী (chuklī)—backbiting.

চুঙা (chungā)—tube.

চুটি (suṭi)—short, not high.

চুপাৰি (supāri)—dry betel nut.

চুপাৰিচ (supāris)—request.

চুমা (chumā)—a kiss.

চুৰট (churat)—a cigar.

চুলি (chuli)—hair.

চেঁউৰি (señuri)—a young female animal.

চেঁচা (cheñchā)—cool, cold.

চেগুণ (seguṇ)—teak wood.

চেনেহ (seneha)—affection, love.

চেনেহী (senehī)—a beloved person.

চেৰাগ (cherāg)—candle.

চৈধ্য (chaidhya)—fourteen.

চোহ (choh)—to suck.

ছয় (sōy)—six.

ছমহীয়া, ছয় মাহিলি (samahiyā, s͝oy māhili)—half-yearly.

ছয়ষষ্ঠি (s͝oykhasṭhī)—sixty-six.

ছয়সত্তৰ (s͝oyhattar)—seventy-six.

ছাল (sāl)—skin, bark.

ছিয়ান্নৱৈ (siyānnaboi)—ninety-six.

ছিয়াশী (sīyākhi)—eighty-six.

ছোৱালী (soāli)—a girl.

জখম (jakhām)—a wound.

জখলা (jakhalā)—a ladder.

জগৰীয়া (jagarīā)—guilty.

জগা (jagā)—to awaken.

জধেমধে (jadhemadhe)—without any regard, indiscriminately.

জৰী (jari)—rope, string.

জলকীয়া (jalakiā)—chilli.

জলজলীয়া (jaljalia)—very clear.

জলফাই (jalfāi)—olive.

জলমল (jalamal)—brilliance.

জলহাৰ (jalahār)—pond, tank.

জাগ (jāg)—to awake.

জাঙল (jāngal)—a crowd.

জাড়, জাৰ (jār)—cold.

জাল (jāl)—net, deception.

জিনিচ (jinis)—article.

জিবা, জিভা (jibā, jibhā)—tongue.

জিবাকটা (jibākaṭā)—greedy.

জিয়া (jiyā)—doubt, suspicion.

জিৰণি (jirani)—rest.

জিৰা (jirā)—to take rest, to repose.

জিল (jil)—to cover.

জী (ji)—daughter, to live.

জীয়ৰী (jīyarī)—an unmarried girl.

জুই (jui)—fire.

জুলাপ (julāp)—purgative.

জুলীয়া (julīyā)—liquid.

জেঠা (jeṭhā)—father's elder brother.

জেঠাই (jeṭhāi)—elder sister of one's father.

জেৰেঙা (jerengā)—a broom.

জেশাহু (jehāhu)—wife's elder sister.

জোঁটা (joñṭā)—things tied together, a bunch.

জোঁটাশালী (joñṭāhāli)—partnership.

জোঁৰ (joñr)—a torch.

জোখ (jokh)—to measure.
জোতা (jotā)—shoe.
জোনাই (jonāi)—the moon.
জোনাক (jonāk)—moonlit.
জোপা (jopā)—bush, shrub.
জোল, ঝোল (jol, jhol)—liquid.
জোৱান (jowān)—young, soldier.
টকা (ṭakā)—rupee.
টান (ṭān)—want, hard.
টিঁয়া (tiñyā)—a parrot.
টিঙালি (tiṅgālı)—very high.
টিপ-চহী (ṭipsahı)—thumb impression.
টেকেলা (ṭekelā)—a messenger.
টেঙৰ (ṭeṅgar)—sharp, intelligent, cunning.
টেঙা (ṭengā)—sour, acid.
টেটন (ṭeṭan)—a villain, a knave.
ঠাৰ (ṭhār)—a hint.
ঠাল (ṭhāl)—a branch.
ঠেং (ṭheng)—leg.
ডকাইত (ḍakāit)—a robber.
ডাঙৰ (ḍāngar)—big, large.
ডাঙৰীয়া (ḍāngariyā)—a respectable man.
ডাঢ়ি (ḍārhi)—beard, whiskers.

ডাবৰ (ḍābar)—spittoon.
ডাৱৰ (ḍāwar)—cloud.
ডিঙা (ḍingā)—a boat.
ডিঙি (ḍingi)—the neck,
ডিমা (ḍimā)—egg.
ডেকা (ḍekā)—young, young man.
ডেকাকাল (ḍekākāl)—youth.
ডেকেৰী (ḍekeri)—a young woman.
ঢৰা (ḍharā)—a mat.
ঢেমনি (ḍhemni)—a kept woman.
ঢৌ (ḍhau)—a wave.
তই (tai)—thou.
তৎাতৈয়া (tatātaiyā)—haste, hurry.
তহঁত (tahañt)—you.
তাই (tāi)—she.
তামোল (tāmol)—betel leaf with lime and nut.
তিৰোতা (tirotā)—a woman.
তুফান (tufān)—a violent tempest.
থপা (thapā)—a slap.
থিৰ (thir)—fixed, calm.
দ' (da)—deep water.
দঁতাল (dañtāl)—having tasks.
দমৰা (damrā)—a young bull.

দৰব (darab)—medicine.

দলং (dalang)—a bridge.

দহ (dah)—ten.

দাইল (dāil)—pulse.

দাপণ, দাপোণ (dāpon)—mirror.

দীঘল (dīghal)—long, high.

দেউতা (deutā)—father, sir.

দেও (deo)—an evil spirit.

দেঙ (deng)—a leap.

ধৰুৱা (dharuā)—indebted.

ধৰোঁতা (dharoñtā)—one who catches.

ধাউতি (dhāuti)—earnest desire.

ধুনীয়া (dhunīyā)—beautiful.

ধেমালি (dhemāli)—play, sport.

নৰিয়া (nariyā)—sick man.

নাল (nāl)—a handle.

নিচান (nisān)—a flag, a mark.

নিচিনা (nisinā)—similar, like.

পইচা (paisā)—a pice.

পচম (pasam)—wool.

পঢ়াশালি (parhāhāli)—a school.

পদুম (padum)—the lotus.

পদূলি (padūli)—a gateway.

পৰিয়াল (pariyāl)—family.

পলম (palam)—delay.

পাৰ (pāra)—a pigeon.

পাহৰ (pāhar)—to forget.

পুখুৰী (pukhurī)—a tank.

পুলিচ (pulis)—police.

পুৱা (puwā)—morning time.

পৈ (pai)—husband.

পোহৰ (pohar)—light.

ফচল (fasal)—crop.

ফুৰ (fur)—to walk.

বগা (bagā)—white.

বৰ (bar)—big, large, noble.

বৰগিৰী (baragirī)—wife's elder brother.

বৰপানী (barpānī)—inundation.

বৰবেমাৰ (barbēmār)—leprosy.

বৰ নৈ (bara nai)—the Brahmaputra river.

বৰল (baral)—a wasp.

বহল (bahal)—broad, wide.

বহাগ (bahāg)—the month of Baishākh

বহুমূলীয়া (bahumūlīā)—costly.

বাঁহ (bañh)—a bamboo.

বাইদেউ (bāideu)—an elder sister

বাঢ় (bārh)—to increase.

বাঢৈ (bārhai)—a carpenter.

বাত (bāt)—to repair, wind.

বাতৰি (bātari)—news.

বাতৰি কাকত (bātari kākat)—a newspaper.

বাৱন (bāwan)—fifty-two.

বাষষ্ঠি (bākhaṣṭhi)—sixty-two.

বিয়া (biyā)—marriage.

বিহু (bihu)—the last day of *Aswin*, *Pausa* and *Chaitra* observed as the day of pleasure and festivity by Assamese people.

বিহুৱা (bihuā)—relating to *Bihu.*

বুকু (buku)—the breast.

বুঢ়া (burhā)—an old man.

বুৰঞ্জী (buranji)—history.

বুৰা (burā)—to sink.

বেগাই (begāi)—quickly.

বেচা (bechā)—to sell.

বেচোঁতা (bechoñtā)—a seller.

বেচৰকাৰী (besarkāri—non-official.

বেছি (besi)—much.

বেজাৰ (bejār)—displeasure.

বেয়া (beyā)—bad, wicked.

বেলেগ (beleg)—separate.

বোকা (bokā)—mud.

বোজা (bojā)—load,

বোপাই (bopāi)—father.

ভঁৰাল (bhañrāl)—a storehouse.

ভঁৰালী (bhañrālī)—a storekeeper

ভৰি (bhari)—leg, foot.

ভনী (bhani)—younger sister.

ভাল (bhāl)—very well, yes

ভাল পা (bhāl pā)—to like, to love.

ভোক (bhok)—hunger.

মই (mŏi) – I, myself.

মইমতালি (maimatāli)—obstinacy.

মকৰ্দমা (makardamā)—a law suit.

মগনিয়াৰ (maganiyār)—a beggar.

মঙহ (mañgah)—flesh.

মচলা (masalā) - spice.

মতা (matā)—a male.

মৰং (marang)—a latrine.

মৰম (maram)—affection, love

মৰমিয়াল (maramiyāl)—affectionate.

মাখুন্দী (mākhundī)—a female elephant.

মাচুল (māsul)—freight, fee.

মাত (māt)—voice, sound, to speak.
মালিচ (mālis)—rubbing.
মূৰ (mūr)—head.
মোমাই (momāi' maternal uncle
মৌ (mou)—honey.
যঁতৰ (jañtar)—spinning wheel.
য'ত ত'ত (jot tot)—anywhere.
যুঁজ (juñj)—to fight.
যেতিয়া (jetiā)—when.
যোত (joy)—landed property.
ৰং (rang)—joy, colour.
ৰংঘৰ (ranghar)—pleasure house.
ৰ'দ (rod)—sunshine.
ৰাতি (rāti)—night.
ৰাতিপুৱা (rātipuvā)—morning.
ৰাতিফুৰা (rātifurā)—night-watch.
ৰান্ধ (rāndha)—to cook.
ৰৌ (rau)—a kind of big fish.
লগনিয়াৰ (laganiār)—back biter.
লৰা (larā)—to shake or stir.
ল'ৰা (lorā)—male child, boy.
লৰালৰি (larālari)—hurry.
লুকা (lukā)—to conceal.
লেখ (lekh)—to write.
লেখাৰু (lekhāru)—writer.
লেপ (lep)—ointment.
লো (lo)—tears, iron.
শ (ha)—dead body, hund...
শগুণ (hagun)—vulture.
শৰণীয়া (haraṇiyā)—under ... pro...
শহুৰ (hahur)—father-in-l...
শিয়াল (hiyāl)—jackal.
শুঙা (huṅgā)—to smell.
শুৱলা (huvalā)—elegant.
শুৱা (huvā)—to sleep.
সঁচা (hañchā)—real, true.
সদৌ (hadau)—all, whole.
সপোন (hapon)—dream.
সৰা (harā)—to cause to fall d...
সৰু (haru)—small, little.
সাজ (hāj)—to construct.
সাধু (hādhu)—saint, a moral tale, st...
সি (hi)—he, to sew.
সৈতে (haitē)—in company wi...
সোঁ (hoñ)—right.
সোণ (hoṇ)—gold.
সোনকাল (honkāl)—quick, morn...
হাঁহ (hāñha)—to laugh.
হোজা (hojā)—simple, stra...

END